# আধাৰ

সংখ্যা ঃ ২

গৱেষণা - বিদ্যায়তনিক - সৃজনীমূলক পত্ৰিকা

…বিভাগ অধ্যয়ন আৰু গৱেষণা কেন্দ্ৰ, সোণাৰি মহাবিদ্যালয়

৫ চেপ্তেম্বৰ, ২০১২ (বুধবাৰ)

491.45105
GOG



মুদ্ৰণ ঃ পাহি অফচেট প্ৰেছ, মৰাণহাট

Call No. 491. 45105 Go.7 0588.

SONARI COLLEGE
LIBRARY
SONARI : SIVASAGAR : ASSAM

Accession No. 0588.

Accession No. 588

SONARI COLLEGE
LIBRARY
SONARI : SIBSAGAR : ASSAM

1. Book may be retained for a period not exceeding 15 days by Members.
2. Book may be renewed on request at the discretion of the Librarian.
3. Dog-earing the pages of a book, marking or writing therein with ink or pencil, tearing or taking out its pages or otherwise damaging it will constitute an injury to a book.
4. Any damage to the book is a serious offence. Unless a borrower points out the damage at the time of borrowing the book, he/she shall be required to replace the book or pay its price .

HELP TO KEEP THE BOOK FRESH & CLEAN

# আধাৰ

সংখ্যা ঃ ২

গৱেষণা-বিদ্যায়তনিক-সৃজনীমূলক পত্ৰিকা

অসমীয়া বিভাগ অধ্যয়ন আৰু গৱেষণা কেন্দ্ৰ, সোণাৰি মহাবিদ্যালয়

৫ চেপ্তেম্বৰ, ২০১২ চন (বুধবাৰ)

Sonari College Library ★ Estd. 1970 ★



গুৰু

প্ৰণামো

তোমাক...

## সম্পাদকীয়

সাহিত্য সমাজৰ দাপোণ। সাহিত্যৰ এই দাপোণৰ দ্বাৰাই প্ৰতিফলিত হয় সমাজ এখনৰ প্ৰতিবিম্ব, শৌৰ্য, বীৰ্য আৰু ঐশ্বৰ্যৰ ৰূপ।
সাহিত্য হৈছে ভাষাবৃক্ষ; সুগন্ধিময় পুষ্প। এই পুষ্পক জীপাল কৰি ৰাখিবলৈ হ'লে আমি তাৰ শিপা ধৰি ৰাখিব লাগিব।

সোণাৰি মহাবিদ্যালয়ৰ 'অসমীয়া বিভাগ অধ্যয়ন আৰু গৱেষণা কেন্দ্ৰ'ই ইতিমধ্যে বৌদ্ধিক বিকাশৰ বহু কাৰ্যসূচী ৰূপায়ন কৰি আহিছে। এই মঞ্চই 'আধাৰ' নামৰ গৱেষণা, বিদ্যায়তনিক আৰু সৃজনীমূলক পত্ৰিকা এখনো প্ৰকাশ কৰি আহিছে। 'আধাৰ'ৰ মূল উদ্দেশ্যই হৈছে ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক বিকাশ আৰু গৱেষণাৰ এক সুস্থ পৰিৱেশ গঢ়ি তোলা।

এই সংখ্যাৰ 'আধাৰ' ছাত্ৰ-ছাত্ৰীসকলে গল্প, কবিতা, সাধু ইত্যাদিৰে সজাই তুলিছে। আমাৰ এই প্ৰচেষ্টা অনাগত দিনলৈও অব্যাহত থাকিব।

**ভবেশ গগৈ**
*সম্পাদক*
*আধাৰ*
৫ চেপ্তেম্বৰ, ২০১২





# টাই ভাষা ঃ এটি আলোকপাত

চাইনি বৰুৱা
*স্নাতক তৃতীয় বৰ্ষ*

**আৰম্ভণি ঃ**

মহান অসমীয়া জাতিৰ জনক টাই আহোমৰ সৰ্বপ্ৰথম চাওফা চাওলুঙ চ্যুকাফা স্বৰ্গদেওৰ এটি মহান বাণী।

"কাও তাক পাই কিন ম্যুঙ পা কাম
বান তুক নুক নাম বা নাই।"

"মই পশ্চিমলৈ দেশ জিনিবলৈ যাওঁ য'ত
চৰাইবোৰে সুললিত গীত গায় পানীত জিৰণী লয়।"

আহোম চাও ফাসকলে ম্যুং-দুন-ছুন-খামত (অসম দেশত) পদাৰ্পণ কৰাৰ দিনৰে পৰা অসমত যোল্লশ খৃষ্টাব্দ পৰ্যন্ত টাই ভাষা প্ৰচলিত হৈ আছিল। কিন্তু অন্যান্য ভাষাৰ নিচিনাকৈ লিখিত ৰূপত প্ৰণালী বদ্ধভাৱে ভাষা শিকাৰ প্ৰথা উদ্ভাৱন হোৱা নাছিল। ঠিক সেইদৰে ভাষাৰ শব্দাৰ্থসমূহ লিখিত ৰূপত পোৱা নগৈছিল। উল্লেখযোগ্য যে স্বৰ্গদেত্ত গৌৰীনাথ সিংহৰ ৰাজত্ব কালত ১৭৯৫ চনত খ্যাতনামা টাই আহোম ম'লুঙ টেঙাই মহঙে পোন প্ৰথমতে টাই ভাষাৰ এখন শব্দকোষ লিখি উলিয়াইছিল। এই দিশৰ পৰা চাবলৈ গ'লে ভাষাৰ শব্দকোষ প্ৰণয়নৰ ক্ষেত্ৰত কেৱল অসমতেই নহয় সৰ্বভাৰতীয় ক্ষেত্ৰতো টেঙাই মহঙেই প্ৰথম ব্যক্তি।

যোৰহাট নৰ্মাল স্কুলৰ শিক্ষক তথা যোৰহাট আহোম ভাষা আৰু বুৰঞ্জী অনুসন্ধান সমিতিৰ সভাপতি ঘনকান্ত বৰুৱাই ১৯৩৬ চনতেই ব্যাকৰণৰ সৈতে এখন আহোম প্ৰাইমাৰ নামৰ পুথি চৰকাৰী পৃষ্ঠপোষকতাত প্ৰকাশ কৰি উলিয়াইছিল। ১৯৬৪ চনত বিমলা বৰুৱা আৰু নন্দনাথ দেওধাই ফুকনৰ দ্বাৰা সম্পাদিত আহোম লেক্সিকনছ (LEXICONS) নামৰ পুথিখন বুৰঞ্জী আৰু পুৰাতত্ব বিভাগে প্ৰকাশ কৰিছিল। টাই ভাষাৰ এই পুথিখন দ্বিতীয় সংস্কৰণ ১৯৯১ চনত প্ৰকাশ হৈছিল।

টাই আহোমৰ ব্যঞ্জনবৰ্ণ আৰু স্বৰবৰ্ণৰ পৰিচয় দিয়া হৈছে।

টাই ব্যঞ্জনবৰ্ণ

**টাই ব্যঞ্জন বৰ্ণত মন কৰিবলগীয়া চাৰিটা দিশ হ'ল —**

(১)বৰ্ণমালাত বৰ্ণৰ ক্ৰম অসমীয়াৰ সৈতে একে নহয়।
(২) বৰ্ণবোৰৰ উচ্চাৰণটোৰ মতেই বৰ্ণবোৰৰ নাম আকাৰান্ত কৰি মতা হয়।
(৩) লিখোতে ওপৰত বাওঁফালে আৰম্ভ কৰি প্ৰথমে সোঁফালে অলপ নি তললৈ আনি তাৰ পাছত সোঁফালে নি বৰ্ণটো লিখা হয়।
(৪) টাই ভাষাৰ স্বৰবৰ্ণ

**স্বৰবৰ্ণত মন কৰিবলগীয়া দিশ —**

(১) আ ব্যঞ্জন বৰ্ণটোত বিভিন্ন উচ্চাৰণ সূচক কৰা চিন বিলাক যোগ দিয়েই স্বৰবৰ্ণবিলাক কৰা হয়।
(২)উচ্চাৰণটো মতেই বৰ্ণটোহঁতৰ নাম।
(৩)স্বৰবৰ্ণ শিক্ষান্ত বিশেষকৈ স্বৰ বিলাকহে শিকিব লাগে। □□□

# চাওতাল জনগোষ্ঠীৰ উৎসৱ অনুষ্ঠান

ঋতু ফুকন

*স্নাতক তৃতীয় ষাণ্মাসিক*

অসমৰ বিহু, বড়ো-কছাৰীসকলৰ 'দোমাসী', ৰাভাৰ 'বায়খোঁ', মিচিংসকলৰ 'আলি-আয়ে-লৃগাং', ডিমাচাসকলৰ 'বসু'ৰ লেখিয়াকৈ চাওতালসকলেও বসন্তকালীন উৎসৱ 'বাহা পৰব' পালন কৰে। 'বাহা' অৰ্থ হ'ল 'ফুল' এয়া খুবেই তাৎপৰ্যপূৰ্ণ উৎসৱ। শীতৰ শেষত বসন্তৰ আগমনে প্ৰকৃতিৰ বুকুলৈ কঢ়িয়াই আনে নতুন জীৱন, গছ-বিৰিখবোৰ কুঁহিয়াৰ পাতেৰেপৰিপূৰ্ণ হৈ পৰে। প্ৰস্ফুটিত হয় ভিন্ন ৰঙৰ ভিন্ন স্বাদৰ ফুল, এই ফুলক অভিনন্দন জনাবলৈ চাওতালসকলে উদ্‌যাপন কৰে 'বাহা পৰব'। তেওঁলোকে বিশ্বাস কৰে যে 'বাহা পৰব'ত পূজা কৰিলে বছৰটোত যি বেয়া কাম সংঘটিত হৈছিল, সেইবিলাক নাইকিয়া হৈ পবিত্ৰ হ'ব আৰু আগন্তুক বছৰটোও ভালে ভালে পাৰ হ'ব। বাহা পৰবত গোৱা গীতৰ নমুনা এনেধৰণৰ —

অকয় মায় বেৰেং লেৎ হো বিৰ দিশম দ
অকয় মায় বসতি লেৎ অকাতোৰে পায়ঁতি
মাৰাং বুৰুয় বেৰাং লেৎ হো বিৰ দিশম দ
জাহেৰ আযোয় বসতি লেৎ আতোৰ পাঁয়তি।

(কোনে সেই গভীৰ অৰণ্যক মানুহৰ উপযোগী কৰিছিল আৰু কোনে সেই গাঁৱক কৰি তুলিছিল জনবহুল। মাৰাং বুৰুয় সেই গভীৰ অৰণ্যৰ ভূমিকা কৰিছিল মানুহৰ উপযোগীকৈ আৰু জাহেৰ এৰাই স্নিগ্ধ জলধাৰা বোৱাই গাঁওখনক কৰিছিল জনবহুল)।

চোহৰায় হ'ল চাওতালসকলৰ হিয়াৰ আমঠু। চাওতালসকলে তাই চোহৰায় পৰৱ বছৰত দুবাৰ পাতে-এবাৰ কাতি বিহুৰ সময়ত, এবাৰ মাঘ বিহুৰ সময়ত। ন-জোন ওলোৱাৰ দিনা চোহৰায় উৎসৱ পালন কৰে। চোহৰায় পৰবৰ মূল লক্ষ্য গো সেৱা। ন-বস্ত্ৰ পৰিধান কৰা গৃহস্থই উপবাসে থাকি গো-সেৱাৰ লগতে নাঙল-যুঁৱলি, মৈ আদি কৃষি সজুঁলিসমূহ ধুই তেল-সেন্দুৰ আদিৰে ফোঁট দি পূজা কৰে। এনেদৰে গো পূজা অনুষ্ঠিত হোৱাৰ তিনি দিন, পাঁচ বা সাত দিনৰ আগৰ পৰাই পূজাৰ আয়োজকসকলে তেওঁলোকৰ নিজৰ গোহালিৰ উপৰি চুবুৰিয়াৰ গোহালিত ঢোল-মাদল লৈ গো জাগৰণ গীত গাই ফুৰে।

এনে এটি গীত হ'ল — তিহিঞ দনা দাঁইনা নায়কে দা না দাঁই
হাতিলেকান সহৰায় দাঁইনায় এউয়েৰ আদেৰ কেৎ
এতম তিৰে লটা দাংক কাঁয়ে তিৰ হাটাঃ তায়



হুতিলেকান সহৰায় দাঁইনায় এউয়েৰে আদেৰ কেৎ।

(হেৰা বাই,আমাৰ গাঁৱৰ নায়েক বাবা হাতীৰ নিচিনা বিশাল সহৰায় পৰৱক স্বাগতম জনাইছো। তাৰ বাওঁহাতত আছে লোটাত ভৰা পানী সোঁহাতত আছে নতুন কুলা। আমাৰ সহৰায় পৰব বিশাল হাতীৰ নিচিনা। লাহে লাহে আহি গ'ল।)

চাওতালসকলে আন এবিধ চোহৰায় পালন কৰে মাঘ বিহুৰ সময়ত, অৰ্থাৎ শালিধান কটাৰ পৰৱৰ্তী পুহ মাঘ মাহত কোনোবা এটা দিনত। খেতি কৰি উঠি যিহেতুকে আজৰি পায়। সেয়েহে প্ৰবাসী তথা বিয়া হোৱা জীয়ৰী ভনী আদি সকলোকে এই সময়তে মাটি উলহ মালহেৰে এই উৎসৱ পালন কৰে। চোহৰায় পৰব মুঠতে ছদিন ধৰি পালন কৰা হয়। এই ছদিনৰ নাম তথা নিয়ম নীতি বেলেগ বেলেগ।

**হাৰিয়াত ছিম ঃ-** আহাৰ শাওণ মাহত যেতিয়া কঠীয়াতলীৰ পৰা কঠীয়াবোৰ গজিবলৈ আৰম্ভ কৰে, তেতিয়া কঠীয়াবোৰক যেন লহপহকৈ বাঢ়ি পথাৰত উপযুক্ত হয়। তাৰ বাবে দেৱতাক তুষ্ট কৰিবৰ অৰ্থে এই উৎসৱ পালন কৰা হয়। অন্যান্য উৎসৱৰ নিচিনাকৈ এই উৎসৱটো নাইকে আৰু কুতাম নাইকে দুয়োজনে হাত ভৰি ধুই পবিত্ৰ হৈ এখন কুলাত চাউলৰ গুড়ি, চাউল, সেন্দুৰ, অলপ কঠীয়া আৰু দুটা মতা কুকুৰা চৰাই লৈ জাহেৰলৈ যায়। পূজাৰী দুজনে মাৰাং বুৰু, জাহেৰ এৰা, মোড়েকো তুৰুইকো, পাৰগান বাংগা, মাঝি হাড়াম বাংগা আৰু সীমা বাংগাৰ নামত কুকুৰা চৰাই দুটাক বলি দিয়ে।

**মাঘ ছিম ঃ-** শালিধান চপোৱাৰ আগতে মাঘ ছিম উৎসৱ পালন কৰে। এই উৎসৱ নকৰাকৈ চাওতাল জাতিৰ মানুহে ধান কাটিব নোৱাৰে। এই উৎসৱ কৰিবলৈ গাঁৱৰ প্ৰতিঘৰৰ পৰা এটাকৈ মতা কুকুৰা, চাউল, নিমখ, হালধিৰ গুড়ি আৰু একলহ হান্ডী সংগ্ৰহ কৰি নাইকে গাঁৱৰ মানুহৰ সৈতে ওচৰত থকা জলাশয়লৈ লৈ যায়। তাত তেওঁলোকে জাতীয় বংগা আৰু সীমা বংগাৰ নামত কুকুৰা চাইকেইটাক বলি দি হান্ডী ঢালি পূজা কৰে।

**জানথায় ঃ-** হিন্দু সমাজত প্ৰচলিত "নবান্ন" বা "নয়ামতবা" ৰ লেখীয়া উৎসৱ হ'ল চাওতালসকলৰ "জানথায়"। ইয়াত নাইকে প্ৰত্যেক বংগাৰ থানৰ আগত দুটামানকৈ ধানৰ শিহ আগবঢ়ায়। কোনোবাই যদি অকলে বলি দিয়াৰ মানস থাকে, তেতিয়াহ'লে সেই সময়ত বলি দিয়াৰ জন্তুটোক বলি দিয়াৰ অৰ্থে আগবঢ়ায় থাকে।

আনহাতে দাঁশায় হ'ল চাওতালসকলৰ এটি উৎসৱ অনুষ্ঠান। ই দুৰ্গা পূজাৰ সময়ত অনুষ্ঠিত হয়। দূৰ্গা পূজাৰ দশমীৰ লগত দাঁশায় শব্দৰ মিল পোৱা যায়। বাদ্যযন্ত্ৰ ভুৱাঙৰ ব্যৱহাৰ একমাত্ৰ দাঁশায় পৰবতহে পোৱা যায়। সিহঁতৰ এনে গীত এটা তলত দিয়া হ'ল —

হায় হায় জ্বালাপুৰিৰে হায় হায় মানমি জনাম লেন
হায় হায় মানমি জালাপুৰিৰে।
অকাৰেজ আয়োএঞ দহ কিনতিএঞ
হায় হায় জ্বালা পুৰিৰে
হায় হায় মানমি জ্বালা পুৰিকে।

(হায় হায় সীমাহীন অনন্তসমূহত মানুহৰ আৱিৰ্ভাৱ ঘটিছিল। হায় হায় মানুহৰ জন্মই অনন্ত সমুদ্ৰত, হে আই ক'ত হ'ব তেওঁলোকৰ স্থান? হায় হায় অনন্ত সমুদ্ৰত, হায় হায় মানৱ সন্তান আজি অটল পানীৰ ওপৰত।)

**কৰামঃ**-কৰাম পৰব আহিন মাহত পালন কৰা হয়। বিপদ-আপদৰ পৰা ৰক্ষা পাবলৈ আৰু ধন-সম্পত্তি লাভৰ কাৰণেহে এই উৎসৱ পালন কৰা হয়। এই উৎসৱত মাৰাং বুৰু আৰু মাঝি হাড়াম বংগাৰ নামত হাস্তী আগবঢ়ায়। উৎসৱৰ দিনা যিবিলাক ডেকাই কৰাম ঠালি আনিবলৈ যাব, তেওঁলোকে গা-পা ধুই মাদল আৰু ৰাহান বজাই গানত দুৰুমজাঃ সুৰ লগাই নাচি নাচি কৰাম ঠাল থকা ঠাইলৈ যায়। উদ্যোক্তাজনে গছজোপাৰ ওচৰত গৈ লোটাত লৈ যোৱা পানী গছত তিনিবাৰ ছটিয়াই দিয়ে। গছজোপাৰ গুৰিত সৰু বন্তি এটা জ্বলাই মাৰাং বুৰু আৰু মাঝি হাড়াম বংগাৰ নামত হাস্তী আগবঢ়ায়। জনা -শুনা বুঢ়া ব্যক্তি এজনে মানুহবিলাকক কৰাম বন্তি অৰ্থাৎ সৃষ্টিৰ আদিকথাৰ সৈতে মানুহৰ জন্ম ক'ত হৈছিল, এই দেশলৈ কেনেকৈ আহিল, গোত্ৰৰ সৃষ্টি কেনেকৈ হ'ল ইত্যাদি শুনায়। পাছত পুৱালৈ নৃত্য-গীত কৰে। দ্বিতীয় দিনাখন সূৰ্য উঠাৰ লগে লগে ঠালি দুদাল ওচৰৰ কোনোবা জলাশয়ত ডুবাই দিয়ে। □□□

# বিহুগীতত নাৰী মনৰ বিচিত্ৰ অনুভূতি

ৰবী ফুকন

*স্নাতক প্ৰথম ষাণ্মাসিক*

বসন্তৰ পৰশ লাগি জাতিস্কাৰ হৈ উঠা প্ৰকৃতিৰ বুকুত অসমীয়া মানুহে প্ৰাণৰ হেঁপাহেৰে গীত গায়, বাদ্য বজায় আৰু সমজুৱাকৈ নৃত্য কৰে। বিহুৰ আগমনত পুৰুষ-নাৰী উভয়েই আনন্দত আপোন পাহৰা হৈ জাতে জাতে বিহুগীত গায়। উন্মুক্ত প্ৰাকৃতিক পৰিৱেশত হৃদয়ৰ আৱেগে পাহি মেলে। নাৰী হৃদয়ৰ আকুলতা প্ৰকাশক অসংখ্য বিহুগীত অসমীয়া সমাজত প্ৰচলিত হৈ আহিছে। সেই গীতসমূহত নাৰীমনৰ বিচিত্ৰ অনুভূতিৰ প্ৰকাশ লক্ষ্য কৰিবলগীয়া। নাৰীয়ে ৰচনা কৰে সেই গীতসমূহত নাৰীপ্ৰাণৰ বহুখিনি কথা সোমাই থকা



দেখা যায়। সমাজৰ নানা ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ আৰু জীৱন-যাত্ৰাৰ ছবিৰ মাজত নাৰীমনৰ বহুতো কল্পনা, সুখ-দুখৰ অনুভৱ আৰু ব্যক্তিগত জীৱনৰ পোৱা-নোপোৱাৰ, মিলন-বিৰহৰ কথাৰে বিহুগীতবোৰ সমৃদ্ধ। নাৰীমন কেতিয়াবা হৈ পৰে আৱেগ-বিভোৰ, কেতিয়াবা উন্মনা, কেতিয়াবা উদাসীন, কেতিয়াবা অভিমানী। এনে ধৰণে বিহুগীতসমূহৰ মাজেদি নাৰী হৃদয়ৰ ভাৱ অনুভূতিৰ চিত্ৰ-বিচিত্ৰ ৰূপ প্ৰকাশ পোৱা দেখা যায়।

বিহুৰ বতৰত প্ৰিয়জনৰ প্ৰতীক্ষাত উদ্বাউল হোৱা নাৰীপ্ৰাণৰ মনৰ ভাব ফুটি উঠিছে তলৰ বিহুগীতৰ জৰিয়তে —

আজি বিহু বিহু কালি বিহু বিহু
বিহুলৈ কেইদিন বাকী,
ধন মোৰ অহা নাই গোন্ধতেল অনা নাই
আমনি লাগিছে থাকি।

বিহুগীতসমূহে অসমীয়া নাৰীৰ সৌন্দৰ্যবোধ, সৃষ্টি প্ৰতিভা আৰু কৰ্মপটুতাৰ পৰিচয় দাঙি ধৰে। গীতবোৰ পৰ্যালোচনা কৰি চালে নাৰী চৰিত্ৰৰ বৈচিত্ৰ্যৰ উপৰিও অসমীয়া সমাজ জীৱনৰ পূৰ্ণ প্ৰতিফলন দেখিবলৈ পোৱা যায়। অসমীয়া আশা আকাংক্ষাৰ প্ৰতীক হেঁপাহৰ ৰঙালী বিহুটিৰ আগমনত ঘৰে ঘৰে কিদৰে উলহ-মালহ আৰু প্ৰাণময় ব্যস্ততাৰ আৰম্ভ হয় বিহুগীতসমূহত তাৰেই আভাস পোৱা যায়

অতিকৈ চেনেহৰ মুগাৰে মহুৰা
তাতোকৈ চেনেহৰ মাকো,
তাতোকৈ চেনেহৰ বহাগৰ বিহুটি
নেপাতি কেনেকৈ থাকোঁ।

অসমীয়া শিপিনীয়ে মৰমৰ দীঘ দি, চেনেহৰ বাণি বৈ, হেঁপাহৰ আঁচুৰে ফুলাম বিহুৱান বোৱাৰ কথা বিহুনামত উল্লেখ আছে—

ৰাতি দুপৰলৈ কাটি সূতালাহি
ধনলৈ বিহুৱান বলোঁ,
ৰঙাকৈ আঁচুৰে বাছি পাণে কটা
টিপতে লুকুৱাই থঁলো।

তাঁতৰ শালখনি অসমীয়া নাৰীৰ মৰমৰ সম্পদ। সেয়ে আদৰৰ তাঁতশালখনিৰ কথা আৰু দোৰপতি, মাকো, ৰাঁচ, মহুৰা, চিৰি, গৰকা, টোলোঠা, যঁতৰ, উঘা, চেৰেকী আদি তাঁতৰ সঁজুলিসমূহৰ কথা উল্লেখ কৰা হৈছে। তাঁতশালখনিৰ অবিহনে অসমীয়া নাৰীৰ জীৱন যে অসাৰ আছিল বিহুগীতসমূহৰ পৰা সেইকথা জানিব পৰা যায়। একালত তাঁতশালখনি অসমীয়া গাভৰুৰ অতি চেনেহৰ বুকুৰ বান্ধৈ আছিল, এঘৰলৈ ছোৱালী এজনী উলিয়াই দিবৰ সময়ত তাঁতৰ শালখনেও যেন চকুপানী টুকিছিল। চেনেহৰ তাঁতৰ শালখনিক নামতিয়ে সেয়েহে গায় —

ৰঘৰত কান্দিলে মাৰে-বাপেৰে
মাৰলত কান্দিলে ভনী,

বাৰীৰ পিচফালে কান্দে তাঁত শালে
আইদেউক বিয়া দিবৰ শুনি।'

অনেক বিহুগীতত অসমীয়া সমাজত প্ৰচলিত লোকাচাৰ, ঘৰুৱা জীৱনৰ চিত্ৰ আৰু অসমীয়া নাৰীৰ কৰ্মতৎপৰতাৰ কথা পোৱা যায়।

অনেক বিহুনামৰ মাজেদি গাভৰুৱে মনৰ অৱেগ-অনুভূতি মুকলিভাৱেও প্ৰকাশ কৰে। বয়সৰ উন্মাদনাই মনৰ আৱেগ লুকুৱাই ৰাখিব নোৱাৰে—

'বহোঁ তাঁতৰ পাটত চকু আলিবাটত
মাকো সৰি সৰি পৰে।'

প্ৰিয়জনৰ প্ৰতীক্ষাত উদ্বাউল হৈ যুৱতীয়ে গায় —

চিৰিপ্ চিৰিপ্ কৰি কপোৰ ধুই আছিলোঁ
চিৰী লুইতলৈ চায়,
চিৰী লুইতৰ ৰূপালী সোঁতেতে
চেনাই নাৱে মেলি যায়।

অতীজৰে পৰা অসমীয়া সমাজ মুখৰিত কৰি অহা লৌকিক গীত মাতসমূহৰ মাজত বিহুগীতবোৰ অন্যতম। বৰ্তমান সমাজত বিহুগীতবোৰৰ বিষয় বস্তু, প্ৰকাশভংগী সলনি হ'ব ধৰিছে। গতিকে আধুনিক জীৱনযাত্ৰাৰ পৰিচয় বৰ্তমান সময়ৰ গীতসমূহত পৰিলক্ষিত হোৱা দেখা যায়। অসমীয়া মানুহৰ হৃদয়ৰ নিভৃতকোণত বিহুটিয়ে উদ্বাউল হৈ মন প্ৰাণ চঞ্চল কৰাৰ প্ৰয়াস কৰে। ❑❑❑

# সোঁৱৰণি মোৰ হেৰুৱা দিনৰ......

মণিদীপা লাহন
*স্নাতক প্ৰথম ষাণ্মাসিক*

মোৰ মনলৈ ক্ৰমশ নামি আহিল এজাক বিষাদৰ বৰষুণ, তিতি তিতি মই যেন ভাগৰি পৰিছোঁ, পুৰণি প্ৰতিচ্ছবিবোৰ ক্ৰমশ ধূসৰ হৈ পৰিছে। এৰি অহা দিনবোৰৰ পিছে পিছে লাগি আহিব ধৰিছে যেন সোঁৱৰণিৰ দীঘল ছাঁ....., চিৰদিনৰ বাবে।

"জীপচি জীপচি কল্পনা মোৰ উৰি যায়
বাঘজৰী ছিঙি
চিন্তাৰ বিলাসে মোক কব খোজে
অতীতৰ হেৰুৱা দিনৰ এটি
গোপন কাহিনী......
(নৱকান্ত বৰুৱা)

প্ৰবাহমান সময়ৰ সৈতে একাকাৰ হৈ, এসাগৰ সেউজীয়া সপোন ৰচি, জীৱনৰ বসন্ত বেলাৰ এক প্ৰাণোচ্ছল প্ৰভাতত, বহু আশা, বহু সপোন বুকুত লৈ জীৱনৰ সঠিক পথ বিচাৰি উপস্থিত হৈছিলোঁগৈ ঐতিহ্যমণ্ডিত শিৱসাগৰৰ মাজমজিয়াত থকা শিৱসাগৰ ছোৱালী



মহাবিদ্যালয়ৰ ছাত্ৰীবাস Rongpur Chatri Nivas চমুকৈ R.C.N. ত। দিনবোৰচোন কেনেদৰে পাৰ হৈ গ'ল গমকেই নাপালোঁ, ক্ষণিকতেই পাৰ হৈ গ'ল একো একোটা দিন..... যেন একে উশাহতেই......। মাহঁতে থৈ যোৱা, ঘৰলৈ মনত পৰি কান্দি থকা কথাবোৰচোন নিচেই চিনাকীয়েই হৈ আছে। প্ৰথম অহাৰ পৰাই নেদেখা কিছুমান অভিজ্ঞতা হ'ল, লগ পালোঁ প্ৰথম R.C.N. ত খোজ পেলায়েই এগৰাকী মৰমীয়াল বা-ক ৰুমমেট হিচাপে আৰু লগ পালোঁ আপোন বহুতকে......। বাহিৰৰ জগতখনৰ ব্যস্ততা, হিংসা বিদ্বেষৰ প্ৰভাৱ নপৰা একো একোটা প্ৰাণ চঞ্চলা মন, যেন হাঁহিৰেই জীৱন সুন্দৰ কৰাৰ এক চূড়ান্ত প্ৰয়াস। R.C.N. ৰ পদুলিটোৰ দুয়োকাষে থকা গোলাপফুলবোৰৰ পাহিবোৰ..... কাঞ্চন জোপাৰ সেই শুভ্ৰ ফুলবোৰ আৰু দেৱদাৰুবোৰৰ ন-কুহিপাতবোৰৰ দৰেই যেন একেই বতাহ, একেখন আকাশৰ তলতেই থকা একো একোটা আনন্দভৰা মন.....।

পুৰণিক বিদায় দি নতুনক আদৰাৰ প্ৰকৃতিৰ যি আপ্ৰাণ চেষ্টা R.C.N. বাসীও চাগে তাৰ ব্যতিক্ৰম নহয়, সেইবাবেই নতুনৰ আগমনৰ লগে লগেই বৰ উল্লাসেৰে আয়োজন কৰা হয় 'নবাগত আদৰণি অনুষ্ঠান'। বছৰটোত কেইবাটিও ভল ভাল অনুষ্ঠান আয়োজন কৰা হয়, আন্তৰিকতাৰে সকলোৱে মিলি।

এনেদৰেই পাৰ হৈ যায় অলেখ দিন-ৰাতি, তাৰ পাছত মাহ, কাৰণ সময় যে গতিশীল আৰু আদৰণি জনোৱা সেই বছৰটিও যেন বিদায়ৰ চূড়ান্ত শিখৰলৈ গতি কৰে। শীত কালত লঠঙা হৈ পৰা R.C.N. ৰ আগফালৰ গছকেইজোপাৰ সৰিপৰা পাতবোৰৰ দৰেই ইয়াৰ সুকোমল দলিচাত জিৰণি লোৱা পক্ষীবোৰৰো যেন বিদায়ৰ সময় চাপি আহে। মহা আয়োজনেৰে আনুষ্ঠানিকভাৱে সকলোকে বিদায় জনোৱা হয়। লাহে লাহে সময়ে সঁচাকৈয়ে গতি কৰে বিদায়ৰ অন্তিম মুহূৰ্তলৈ.... যেন সৰি সৰি পৰিছে লহপহীয়া সেই পাতবোৰ....

"হাজাৰ চেষ্টা কৰিও
পাহৰিব নোৱাৰি
বন্ধু তোমাৰ স্মৃতি....
হয়তো সদায় থাকিবা জিলিকি
আকাশত জোনটি থকাৰ দৰে
এই সেউজীয়া পৃথিৱীত.....।"

সকলোৰেই দুচকুত চকুপানী বাগৰিছে, নিচেই কাষতে থকা আপোনজনক বিদায় জনোৱাৰ বেদনাত। কিদৰে বুজাব মনৰ কথা..... কোনে বুজিব। অশ্ৰুসিক্ত নয়নেৰে ইমানদিনৰ মৰমৰ বান্ধোনেৰেই শেষ বিদায় জনাইছে, কাৰোবাক হয়তো চিৰদিনৰ বাবে.....। এনেদৰেই পাৰ হৈ যায় সময়বোৰ..... থাকি যায় মাথোঁ স্মৃতিৰ উমাল বুকুচাত উঠি হেৰুৱা দিনৰ সেই মধুৰ সুবাস। লাগি ৰয় মাথো সোঁৱৰণিৰ দীঘল ছাঁ....

"দুখবোৰ হেনো এনেকুৱাই,
আনক আমনি দি ৰংপায়
সুখবোৰ হেনো এনেকুৱাই ক্ষন্তেকীয়া,
আনক প্ৰতাৰণা কৰি ভালপায়.....।" ❑❑❑

# চাউল গুচি ধান হ'ল কিয়

পিঞ্জুমণি গগৈ

সত্য যুগত মানুহৰ একোৱে অভাৱ নাছিল। পৃথিৱী শস্য-মৎস্যৰে নদন-বদন হৈ আছিল। কাৰো বস্তুত কেনেও হাত নিদিছিল। সকলোতকৈ আচৰিত কথা এই যে সেই যুগত ধান নাছিল। ধানৰ গছত চাউল লাগিছিল। চৰাই-চিৰিকটি, গৰু, পোক-পৰুৱা একোৱে তাৰ অনিষ্ট নকৰিছিল, আনকি এন্দুৰবোৰেও উপদ্ৰৱ নকৰিছিল।

এদিনাখন এজন বামুণ বৰ দূৰৈৰ গাঁও এখনলৈ গৈছিল। ঘূৰি আহোঁতে বাটতে তেওঁৰ বৰ ভোক লাগিছিল। কি খায় এতিয়া? মাজ পথাৰ ওচৰ-পাঁজৰত কাৰো ঘৰ-বাৰী নাই।

ভাবি-গুণি থাকোতে হঠাৎ পথাৰৰ পূৰঠ চাউলবোৰ বামুণৰ চকুত পৰিল। তেওঁ মনতে ভাবিলে "ইয়াৰেই এমুঠা খোৱা য'ক। কোনেনো ক'ব পাৰিব এই বহল পথাৰৰ পৰা এমুঠি চাউল খালে।" ইয়াকে ভাবি ইফালে-সিপালে চাই কাকো নেদেখি ঠোক এটাৰ পৰা চোঁচা মাৰি চাউল এমুঠি উলিয়াই খালে।

আচৰিত কথা, তেতিয়াৰ পৰাই পথাৰৰ সকলো চাউল ধানত পৰিণত হ'ল। লগে লগে মানুহৰ কষ্টও বাঢ়িল।

□□□

# এজন দৰ্জী আৰু এটা হাতী

উনিষা মহন

*স্নাতক প্ৰথম যাণ্মাসিক*

এসময়ত এখন নগৰত এটা দৰ্জীয়ে বাস কৰিছিল। সেই নগৰৰ ৰজাৰ এটা হাতী আছিল। ৰজাৰ মাউতে দৰ্জীৰ সন্মুখেৰে সদায় হাতীটো নদীলৈ গা ধুৱাবলৈ নিয়ে। লাহে লাহে দৰ্জীৰ লগত হাতীটোৰ বন্ধুত্ব গঢ়ি উঠিল। দৰ্জীয়ে প্ৰতিদিনে হাতীটোক কিবাকিবি খাবলৈ দিয়ে।

এদিনাখন কিবা কাৰণত দৰ্জীয়ে খং উঠি বহি আছিল। আন দিনাৰ দৰে সেইদিনাও হাতীটো আহিল। দৰ্জীয়ে সেইদিনা তাৰ শুঁৰত ধৰি বেজীৰে খুঁচি দিলে। হাতীটোৱে দৰ্জীৰ এনে কাৰ্যত বৰ বেজাৰ পালে। সি তাৰ ওপৰত পোতক তুলিবলৈ থিৰ কৰিলে। হাতীটোৱে নদীলৈ দৌৰি গ'ল আৰু শুঁৰত পানী ভৰাই আনি দৰ্জীৰ গাত ছটিয়াই দিলে। দৰ্জীৰ কাপোৰ কানি সকলো নষ্ট হ'ল। দৰ্জীয়ে বৰ বেজাৰ পালে।

নীতিশিক্ষা ঃ যেনে কৰ্ম তেনে ফল।

□□□



# বেয়া ল'ৰা

বন্দিতা গগৈ

*স্নাতক প্ৰথম যাণ্মাসিক*

এসময়ত এজন ধনী মানুহৰ এটা মাত্ৰ ল'ৰা আছিল। সময়ত ল'ৰাৰ লগ গৈ বেয়াৰ ফালে ঢাল ল'লে। দেউতাকে বাৰে বাৰে বেয়া ল'ৰাৰ লগত ফুৰিবলৈ তাক মানা কৰিছিল; কিন্তু সি দেউতাকৰ কথা নুশুনিলে।

এদিনাখন দেউতাকে এটা বুদ্ধি পাঙিলে। তেওঁ কিছুমান ভাল আপেল আৰু কেইটিমান বেয়া আপেল বজাৰৰ পৰা কিনি আনিলে। দেউতাকে ল'ৰাটোক সকলোখিনি আপেল একেলগে এটা খৰাহিত থ'বলৈ ক'লে।

পিছদিনাখন দেউতাকে ল'ৰাটোক মাতি ভাল আপেলবোৰ বাছি আনিবলৈ ক'লে। ল'ৰাটো আপেলৰ খৰাহিৰ ওচৰলৈ গৈ আচৰিত হ'ল আৰু দেউতাকক আহি জনালে যে খৰাহিত থকা সকলো আপেল গেলি আছে।

তাৰ উত্তৰত দেউতাকে তাক মৰমেৰে বুজাই দি ক'লে যে, "তুমি দেখিলানে কেনেকৈ কেইটামান মাথোন বেয়া আপেলৰ বাবে ভাল আপেলবোৰ নষ্ট হৈ গ'ল। ঠিক তেনেদৰে বেয়া ল'ৰাই বহু ভাল ল'ৰাক নষ্ট কৰিব পাৰে।"

এই ঘটনাৰ পিছত ল'ৰাটোৱে নিজৰ ভুল বুজি পাই বেয়া সংগ এৰি পেলালে। সি শেষত এজন ভাল ল'ৰা হ'ল।

□□□

# এটা লুভীয়া শিয়ালৰ কথা

ৰীতা মণি বড়া

এদিনাখন দুটা ভেৰাই এখন হাবিৰ ওচৰত যুদ্ধ কৰি আছিল। ভেৰাবিলাকে যুঁজ কৰিলে মূৰে মূৰে বৰকৈ খুন্দিয়ায়। সিহঁতৰ এটাই পৰাস্ত নহয় মানে খুন্দিয়া খুন্দি কৰিবলৈ এৰি নিদিয়ে।

এইদৰে ভেৰা দুটাই যুঁজ কৰোঁতে কৰোঁতে কপাল ফাটি তেজ ববলৈ ধৰিলে। ওচৰৰপৰা এটা শিয়ালে সিহঁতৰ যুঁজখন চাই আছিল। যেতিয়া কপাল ফাটি ভেৰা দুটাৰ তেজ ববলৈ ধৰিলে, তেতিয়া সেই তেজ চেলেকি খাবলৈ শিয়ালটোৰ বৰ লোভ লাগিল। শিয়ালটোৱে সিহঁতৰ মাজত সোমাই দুয়োটা ভেৰাৰ কপালৰ পৰা তেজ চেলেকি খাবলৈ ধৰিলে। কিন্তু ভেৰা দুটাই তেতিয়াও যুঁজ কৰিবলৈ এৰি দিয়া নাছিল। এবাৰ গাৰ বলেৰে দুয়োটা ভেৰাই খুন্দা মাৰি দিলে আৰু শিয়ালটো মাজত পৰি পেটু ওলাই মৰি থাকিল।

অতি লুভীয়া হ'লে মানুহৰো এনে দশাই হয়। □□□

# বাঘ আৰু ভেকুলী

বিজিত দোলাকাষৰীয়া
*স্নাতক প্ৰথম ষাণ্মাসিক*

ৰেংমা পাহাৰৰ নামনিত এখন অৰণ্য আছিল। সেই অৰণ্যত বিভিন্ন বন্য প্ৰাণীয়ে বসবাস কৰিছিল। এদিন অৰণ্যত বাঘ আৰু ভেকুলী এটা মুখা-মুখি হ'ল। বাঘে ভেকুলিক দেখি ঠাট্টাৰ সুৰত সুধিলে -'হেৰ ভেকুলী তুমি দেখোন বৰ খৰকৈ জপিয়াই-জপিয়াই আহিছা কাৰণ কি? মোৰ লগত ফেৰ মাৰিব খুজিছা নেকি? বাঘৰ কথাত ভেকুলীৰ খং উঠিল। সি ধৈৰ্য ধৰি লাহেকৈ ক'লে — "বাঘ ককাই তুমি হৈছা বনৰ ৰজা, মই এটা সামান্য ভেকুলী, তোমাৰ সৈতে ফেৰ মৰা সহজ কথানে? তথাপিও তুমি যদি ইচ্ছা কৰা মোৰ কোনো আপত্তি নাই।" কথাটো গোটেই অৰণ্যখনতে বিয়পি পৰিল। বাঘ আৰু ভেকুলীয়ে এটা দিন স্থিৰ কৰি অৰণ্যৰ সকলো বন্য প্ৰাণীক আমন্ত্ৰণ জনালে। আটাইবোৰ বন্য প্ৰাণী প্ৰতিযোগিতা চাবলৈ আহিল। বাঘ আৰু ভেকুলী লৰিবলৈ সাজু হ'ল। বিচাৰকে এক, দুই, তিনি কোৱাৰ লগে লগে বাঘে লৰিবলৈ ধৰিলে। ইপিনে কোনেও গম নোপোৱাকৈ ভেকুলীয়ে এক জাপে বাঘৰ পিঠিত উঠিল বাঘে গমকে নাপালে। বাঘটোৱে নিৰ্দিষ্ট ঠাই পাও-পাও হওঁতেই ভেকুলীটোৱে জাপমাৰি সেই ঠাইত উপস্থিত হ'ল। সকলো বন্য প্ৰাণীয়ে 'ভেকুলী জিকিল ভেকুলী জিকিল বুলি চিঞৰিবলৈ ধৰিলে। বাঘে ভেকুলীৰ হাতত পৰাজয় হোৱাৰ বাবে লাজ পালে। সি ভেকুলীক ধন্যবাদ জনাই হাবিলৈ গুচি গ'ল।

—"বলেৰে নোৱাৰা কাম বুদ্ধিৰে যে কৰিব পাৰি এই কথা ভেকুলীয়ে প্ৰমাণ কৰি দিলে। ❑❑❑

# সাগৰ আৰু চৰাই

কৰিস্মা দাস
*স্নাতক প্ৰথম ষাণ্মাসিক*

সাগৰ এখনৰ পাৰত এযোৰ চৰায়ে বাহ সাজি বাস কৰিছিল। সাগৰৰ পাৰৰ বালিতেই আছিল সিহঁতৰ বাহ। দিনৰ বেলাত সিঁহত দুয়ো সমুদ্ৰৰ ওপৰেদি বহুদূৰ পৰ্যন্ত উৰি যায় আৰু সমুদ্ৰত উটি অহা ইটো-সিটো বস্তু সিহঁতে খায়। এইদৰে আনন্দ আৰু সুখৰ মাজেৰেই সিহঁতে দিন কটাইছে। কিছুকালৰ পাছতে চৰাইজনীৰ কণী পৰাৰ সময় হ'ল আৰু তাই মতাটোক ক'লে ঃ মোৰ কণী পাৰিবলৈ বেছিদিন নাই, তুমি সময় থাকোতে এটা ভাল ব্যৱস্থা কৰা।



মতা চৰাইটোৱে সুধিলে ঃ কিয়, আমাৰ এই বাহটো ভাল নহয় নেকি? এই বাহটোত আমি বৰ সুখেৰে আছোঁ।

এই কথা শুনি মাইকী চৰাইজনীয়ে ক'লে ঃ তুমি হয়তো এতিয়ালৈকে বুজা নাই যে অতি সোনকালে আমাৰ এই বাহটো সাগৰৰ পানীৰ ঢৌত উটি যাব পাৰে। দিনে দিনে সাগৰখনো আমাৰ ফালে ক্ৰমান্বয়ে আগবাঢ়ি আহিছে। মোৰ ভয় হৈছে হয়তো কণী পৰাৰ পিছতে সমুদ্ৰৰ ঢৌৱে সকলো কণী উটুৱাই নিব পাৰে।

মতা চৰাইটোৱে ক'লে ঃ তোমাৰ কোনো ভয় নাই। তুমি ইয়াত নিশ্চিন্তে কণী পাৰিব পাৰা। সমুদ্ৰৰ সাধ্য নাই যে সি আমাৰ কণী উটুৱাই নিব।

মতা চৰাইটোৰ কথা শুনি সাগৰ ক্ষুন্ন হ'ল। এটা সামান্য চৰাইৰ মোৰ প্ৰতি ইমান স্পৰ্ধা। ঠিক আছে সময় আহক,ময়ো তহঁতক দেখুৱাম মোৰ শক্তি কিমান? তহঁতৰ বাহৰ পৰাই মই কণী উটুৱাই আনিম দেখা যাওক, কিদৰে তহঁতে ৰক্ষা কৰিবি।

যথা সময়ত চৰাইজনীয়ে কণী পাৰিলে। এদিন চৰাইৰ দম্পতীয়ে আহাৰৰ অনুসন্ধানত বাহ এৰি ওলাই গৈছিল। সেই সুযোগতে সমুদ্ৰই ঢৌৰ সৃষ্টি কৰি চৰাইহালৰ কণী উটুৱাই লৈ গ'ল। চৰাই দম্পতীয়ে ঘূৰি আহি দেখে যে বাহ শূন্য। তাত এটাও কণী নাই। চৰাইজনীয়ে চিৎকাৰ কৰি বালিৰ ওপৰত হিয়া ধুনি কান্দিব ধৰিলে। কান্দি কান্দি তাই গিৰিয়েকক গালি দিবলৈ ধৰিলে ঃ তোমাক মই আগতেই সাৱধান কৰি দিছিলো, কিন্তু তুমি মূৰ্খামি কৰি মোৰ কথাত কাণ নিদিলা। এতিয়া উচিত শাস্তিকে পালাতো? হায়, হায় পণ্ডিত লোকসকলে ঠিকেই কৈছে, যিজন ব্যক্তিয়ে হিতবাদী বন্ধুৰ কথাত কাণ নিদিয়ে তেওঁৰ বিপদ অনিবাৰ্য। ❑❑❑

# বন্ধুত্ব

গীতাঞ্জলী বড়া
*স্নাতক প্ৰথম ষাণ্মাসিক*

বন্ধুত্ব কি এক মিঠা শব্দ, এই শব্দটোৱে যে কিমান নোকোৱা কথা এবাৰতে কৈ দিয়ে, বুকুৰ পথাৰত সোণোৱালী শইচ তোলা হেঁপাহৰ এই শব্দটোৱেইতো কয় "আমি দুটা দেহত বাস কৰা এটা আত্মা"। আত্মিক মিলন অবিহনে বন্ধুত্ব কেতিয়াও সফল হ'ব নোৱাৰে। যিদৰে মানুহে জীৱনত নিজকে মানুহৰূপে প্ৰতিষ্ঠা কৰিব নোৱাৰিলে মানুহৰ জীৱনটো অসম্পূৰ্ণ আৰু অৰ্থহীন। সকলো মানুহৰে জীৱনত এজন হ'লেও প্ৰকৃত বন্ধু বা বান্ধৱী থকাটো অতি প্ৰয়োজন। বন্ধুত্ব এটা পবিত্ৰ বান্ধোন।

বন্ধুত্ব ভাঙিবলৈ যিমান সহজ গঢ়িবলৈ কিন্তু যথেষ্ট জটিল। কিয়নো দুটা মন বা আত্মাৰ মিলনৰ প্ৰতিটো খোজতে নিহিত হৈ থাকে বিশ্বাসৰ ভেটি। এই বিশ্বাসেই হৈছে সকলো সম্পৰ্কৰে মূল বিষয়বস্তু। সকলোৱে সকলোৰে পৰা বিশ্বাস আদায় কৰিব নোৱাৰে। আৰু এই বিশ্বাসৰ ভেটিত যি বন্ধুত্ব গঢ়ি উঠে সি হয় চিৰস্থায়ী আৰু চিৰযুগমীয়া।

বন্ধুত্ব তুলনাহীন। এপাহ ফুলৰ যি দৰে সুবাস সদায় নাথাকে, সময় সাপেক্ষে

সিও মৰহি যায়। কিন্তু বন্ধুত্বৰ এই এনাজৰীডাল সময় পাৰ হোৱাৰ লগে লগে ই পৰিৱৰ্তন হ'ব নোৱাৰে কাৰণ ইয়াৰ মাজত লুকাই থাকে মৰম, চেনেহ, ভালপোৱা, ত্যাগ তথা বিশ্বাস। এই বন্ধুত্বৰ সম্পৰ্ক অতি সহজে পাহৰি যাব নোৱাৰি। বহু দূৰত থাকিলেও, একেলগে থকা দিনবোৰৰ স্মৃতিবোৰে সেই বন্ধুত্বৰ সম্পৰ্ক মনত পেলাই চিৰযুগমীয়া কৰিব।

বন্ধুত্বই জাতি, ধৰ্ম, লিংগ তথা বয়সৰ সময় সীমা নিবিচাৰে, মাথোঁ বিচাৰে মৰম, চেনেহ আৰু বিশ্বাস। ইজনে সিজনক বুজা-বুজিৰে গঢ়ি উঠাহে প্ৰকৃত বন্ধুৰ বন্ধুত্ব। বন্ধুত্ব মানুহে মানুহৰ সৈতে গঢ়ি তোলা এক মধুৰ আৰু গুৰুত্বপূৰ্ণ সম্পৰ্ক। এই বন্ধুত্ব মহান আৰু পবিত্ৰ। যাৰ সম্পৰ্ক আন সম্পৰ্কৰ লগত তুলনা কৰিব নোৱাৰি। বন্ধুত্ব ডেকা-গাভৰু, ভাইটি-ভণ্টিৰ, বুঢ়া সকলোৰে লগত গঢ়ি উঠিব পাৰে।

কোনো এজন মানুহৰ বন্ধুত্বৰ অনুভৱ হয় যেতিয়া তেওঁ বুকুৰ কোনোবা এঠাইত লৈ ফুৰা মনৰ গোপন কথাবোৰ কবলৈ। যিবোৰ তেওঁ মাক-দেউতাক বা ঘৰৰ বা পৰিয়ালৰ বাকী সদস্যৰ লগত পাতিব নোৱাৰা কথাবোৰ, কবলৈ বন্ধুত্বৰ প্ৰয়োজনবোধ হয়। আৰু সেই কথাবোৰ ক'বলৈ মনযোৰা, মৰমৰ ভালপোৱা বন্ধুজনক আগত কৈ মনটো পাতল কৰিব পাৰি।

জীৱনত যিজনে বন্ধুত্ব গঢ়া নাই তেওঁ পৃথিৱীত একোৱে পোৱা নাই আৰু হয়তো তেওঁৰ নিচিনা দুৰ্ভগীয়া পৃথিৱীত অন্য এজন নাই।....... □□□

# পঢ়াৰ অভ্যাস

মৌচুমী দেউঘৰীয়া

*স্নাতক প্ৰথম ষাণ্মাসিক*

আমি সকলো সময়তে পঢ়া-শুনা আৰু লিখাৰ অভ্যাসৰ কথা চিন্তা কৰোঁনে? স্কুলীয়া জীৱনত দেখোন পঢ়া-শুনা বুলি কলে বহুতৰে জ্বৰ উঠে। পাঠ্যপুথিৰ সেই একেখিনি কথা বাৰে বাৰে পঢ়িবলৈ মন নাযায়। আন বহুতে আকৌ যথেষ্ট মনোযোগেৰে কিতাপ পঢ়ি ভাল পায়।

চেষ্টাই হৈছে অভ্যাস গঠনৰ প্ৰথম খোজ। কিতাপত থকা কথাবোৰ জানিবলৈ, কিতাপৰ শব্দবোৰ সলসলীয়াকৈ কবলৈ আৰু কিতাপত থকা চিত্ৰবোৰৰ আৰ্হিত নিজে চিত্ৰ অংকন কৰিবলৈ আমি চেষ্টা কৰা উচিত। জ্যেষ্ঠজনৰ পৰামৰ্শ অনুসৰি বয়সৰ সৈতে খাপখোৱা কিতাপহে পঢ়িব লাগে।

আমি নিজকে বুজাব লাগে যে কিতাপেই হৈছে মানুহৰ প্ৰথম আৰু শ্ৰেষ্ঠ বন্ধু। গতিকে এনে বন্ধুৰ সহায়ত ভৱিষ্যত জীৱনৰ বাট সুগম হোৱাটো সম্ভৱ। কিতাপ উদ্ভাৱন



হোৱাৰ আগতে কেতবোৰ নিৰ্দিষ্ট চিহ্নক আখৰ বুলি ধৰি লৈ মানুহে শিল আৰু ধাতুৰ স্তম্ভ, গুহা আদিত অংকন কৰিছিল। ক্ৰমাত ভাষাৰ ৰূপলৈ এনে আখৰ আৰু অংকনবোৰ মানুহৰ মনৰ ভাৱ প্ৰকাশ কৰিবলৈ সক্ষম হৈছে। ছপাশালৰ আৱিস্কাৰৰ লগে লগে আখৰৰ নিৰ্দিষ্ট গঢ় আৰু নিৰ্দিষ্ট ৰূপত কিতাপ, বাতৰি কাকত, আলোচনী প্ৰকাশ পাবলৈ ধৰে। মানুহৰ এনে যুগজয়ী প্ৰচেষ্টাক আমি শলাগ ল'বলৈ হ'লে বৰ্তমান আৰু ভৱিষ্যতৰ কথা ভাবি কিতাপ অধ্যয়নৰ অভ্যাস গঢ়ি তুলিব লাগে।

এলবাৰ্ট আইনষ্টাইনৰ সৰুতে পঢ়াৰ প্ৰতি আগ্ৰহ নাছিল। এবাৰ তেওঁৰ সমনীয়া কেইজন মানে কোনে কি কি কিতাপ পঢ়িলে সেই বিষয়ে আইনষ্টাইনৰ সন্মুখত আলচ কৰিছিল। সমনীয়াসকলে উল্লেখ কৰা প্ৰায়বোৰ কিতাপেই আইনষ্টাইনৰ ঘৰত আছিল। কিন্তু জটিল বুলি ভাবি তেওঁ সেইবোৰ কিতাপ পঢ়া নাছিল। পাছৰ জীৱনত এইগৰাকী বিজ্ঞানীয়েই ঘোষণা কৰিছিল যে কোনো এখন কিতাপ নপঢ়িলে জটিল হৈয়েই থাকে। কিতাপখন পঢ়িলেহে সহজ হয়।

জাতিৰ পিতা মহাত্মা গান্ধীয়ে বহুবাৰ উল্লেখ কৰিছে যে অধ্যয়নৰ অভ্যাসে আত্মবিশ্বাস বৃদ্ধি কৰে। তেওঁ হৰিচন্দ্ৰৰ উপাখ্যান পঢ়ি শৈশৱ কালৰ পৰা বহুতো কথা আয়ত্ব কৰিছিল।

আমাৰ যেতিয়া পঢ়িবলৈ মন নাযায়, তেতিয়া আমি নিজকে দুটা প্ৰশ্ন সুধিব লাগে —

১) আমি কিয় পঢ়িব লাগে?
২) আমি পঢ়িব লাগিবইনে?

নিৰ্দিষ্ট সময়ত এই দুটা প্ৰশ্নৰ উত্তৰ হাতত পৰিলে আমাৰ আপোনা-আপুনি পঢ়িবলৈ মন যাব। টোপনি ক্ষতি আৰু অসুস্থ অৱস্থাত পঢ়া-শুনা কৰিলে খেলি মেলি হোৱাৰ সম্ভাৱনাহে বেছি। নিৰ্দিষ্ট বাধ্যবাধকতাৰ মাজত কিতাপ পঢ়িলেই মানুহ জ্ঞানী নহয়। কিতাপ পঢ়াৰ উপৰি সজ আচৰণ মানি চলা, প্ৰাকৃতিক পৰিৱেশ নিৰীক্ষণ কৰা আৰু ঘৰুৱা তথা সামাজিক অনুষ্ঠানত অংশগ্ৰহণ কৰা ইত্যাদি কামৰ মাজেৰে আমি অধ্যয়নশীল হ'ব পাৰোঁ। জীৱনী সাহিত্য হৈছে ভৱিষ্যতৰ পথ প্ৰদৰ্শক। জ্যেষ্ঠজনৰ পৰামৰ্শ অনুসৰি মহৎ লোকৰ জীৱনী পঢ়িলে আমিও জীৱনৰ বাটত সফলতা বুটলিবলৈ সক্ষম হম। জন্মদিন উপলক্ষে গছপুলি ৰোৱাৰ লগতে কিতাপ কিনাৰ অভ্যাস কৰিলে কিতাপৰ আদৰ বাঢ়িব আৰু জ্ঞান অন্বেষণৰ প্ৰতিও আমাৰ স্পৃহা বাঢ়িব। অধ্যয়নৰ অভ্যাস গঢ়ি তুলিবলৈ আমাৰ ইচ্ছা, প্ৰচেষ্টা আৰু সময় সাপেক্ষে ব্যৱহাৰিক জ্ঞানৰ প্ৰয়োজন। বয়স অনুসৰি কিতাপৰ শ্ৰেণী বিভাজন কৰিব নোৱাৰি যদিও বাস্তৱ পৰিৱেশৰ সৈতে খাপ খুৱাইহে কিতাপ নিৰ্বাচন কৰি পঢ়াটো যুগুত।

□□□

# বিষাদৰ চকুলো

দুলু গগৈ

*স্নাতক তৃতীয় বৰ্ষ*

পুৱাৰ সুৰুজৰ ৰাঙলী ৰহনে সকলোৰে মন আনন্দত ৰঙিয়াল কৰি তুলিছে। সেই সৌন্দৰ্যত আকৌ দুৱৰি পাতত নিয়ৰৰ অশ্ৰু কণাবোৰে সোণত সুৱগা চৰাইছে। কিন্তু সেই অশ্ৰু কণা স্থায়ী নহয়। সুৰুজৰ ৰহন যিমানেই ঈৰ্ষা কৰা নহওক কিয়, শত্ৰুৰূপে সি নিয়ৰৰ আগত থিয় দি সেই নিয়ৰৰ অশ্ৰু কণাবোৰৰ সলিল সমাধি ঘটাইছে।

ধোঁৱা উৰিছিল, কেৱল চাৰিওফালে ধূপৰ ধোঁৱাৰে পৰিৱেশ ধূসৰিত কৰি ৰাখিছিল। সেই ধোঁৱাৰ মাজে মাজে এটি মৃত দেহৰ ওপৰত তিনিটা মূৰ্তিয়ে ফেকুৰি ফেকুৰি মনৰ হেঁপাহেৰে কান্দি আছিল।

সুমন ৰাংছালি গাঁৱৰ এটা ভাল ল'ৰা। সি এইবাৰ উচ্চতৰ মাধ্যমিকত প্ৰথম বিভাগত উত্তীৰ্ণ হৈছে। পৰীক্ষাৰ ফলাফল পোৱাৰ পাছতেই সুমনৰ ঘৰত আনন্দৰ জোৱাৰ উঠিছিল। ওচৰৰ মানুহৰ সঘন আহ-জাহে, চাহ, ভাত আদিৰ ব্যৱস্থাৰে তাৰ ঘৰক সেইকেইদিন যেন বিবাহ স্থলীলৈ ৰূপান্তৰিত কৰিছিল। যেতিয়া লগৰ সকলোবোৰে দূৰ-দূৰণিৰ কলেজত নামভৰ্ত্তি কৰিলে, তেতিয়া তাৰ মাক-দেউতাকেও তাক দূৰণিৰ কলেজত পঢ়ুৱাৰ কথা চিন্তা কৰিলে। যেতিয়া মাক-দেউতাকে এই কথা ভাবি পইচাৰ কথা চিন্তা কৰিলে, তেতিয়া দেখিলে যে ইতিমধ্যে তাৰ পাৰ্টীতে বহুতো টকা খৰচ হোৱাৰ উপৰিও তেওঁলোক ওচৰৰ দোকানত ঋণী হৈ আছে। কিন্তু পুতেকৰ পঢ়াত আগ্ৰহ থকাৰ বাবে তেওঁলোকৰ ৰোৱতী দুবিঘা মাটিৰ এবিঘা বিক্ৰী কৰি তাক দূৰৰ কলেজত নামভৰ্ত্তি কৰাই দিলে। প্ৰথম বছৰটো সুমনৰ কলেজত ভালে ভালেই গ'ল। কিন্তু ভগৱানে সেই ভালদিনবোৰ বেছি দিনৰ কাৰণে সহ্য নকৰে। সুমনৰ মাক-দেউতাকে দিন হাজিৰা কৰি আৰু ঘৰৰ তামোল-পাণ বিক্ৰী কৰি পোৱা উপাৰ্জনৰে সুমনক আৰু তাৰ ভনীয়েক দুজনীক পঢ়াৰ সুবিধা দিছিল। সুমন স্নাতক দ্বিতীয় বৰ্ষ পাওঁতে তেওঁলোকৰ পৰিয়াললৈ দুখৰ কলিয়া ডাৱৰ নামি আহিল। তেওঁলোকৰ মাটি-বাৰীখিনি ধনী অৰ্থলোভী ওচৰৰ বৰদেউতাক এজনে মণ্ডলৰ হতুৱাই নিজৰ কৰি ললে। ফলত তেওঁলোকৰ পৰিয়ালটোৱে ৰেল লাইনৰ কাষৰ সৰু মাটি এডোখৰতে এটি পজা সাজি থাকিব লগা হ'ল আৰু সুমনেও অৰ্থৰ অভাৱত উচ্চ শিক্ষা শেষ নকৰাকৈয়ে ঘৰলৈ আহি দৈনিক উপাৰ্জনৰ কামত ব্যস্ত হ'ল।

এনেবোৰ দুখৰ মাজতে সুখে সুমনৰ জীৱনত ভুমুকি মাৰিলেহি। সুমনে টেট পৰীক্ষাৰ জৰিয়তে প্ৰাথমিক বিদ্যালয়ত শিক্ষকতা কৰাৰ অনুমতি লাভ কৰিলে। সুমনৰ চাকৰি কোকৰাঝাৰৰ নিৰ্মালি গাঁৱত দিয়া হ'ল। যথা সময়ত চাকৰিত যোগদান কৰি সুমনৰ লগতে তেওঁলোকৰ পৰিয়ালটোও আনন্দত আত্মহাৰা হ'ল। সুমন চাকৰিলৈ যোৱাৰ পাছত তেওঁলোকৰ পৰিয়ালৰ সকলোৱে নানা অলীক সপোন ৰচিবলৈ ধৰিলে। চাকৰিলৈ প্ৰথম



যোৱাৰ দিনা সুমনৰ সৰু ভনীয়েকে ককাইয়েকক দৰমহা পালে এটা স্কুললৈ যোৱা ফ্ৰক আৰু ডাঙৰ ভনীয়েকে এযোৰ চুইজাৰ আনিবলৈ কৈছিল। মাক-দেউতাকেও মনতে বহুতো কিবা-কিবি বিচৰাৰ উপৰিও সুমনৰ মঙ্গল কামনা কৰি নীৰৱ দৰ্শকৰ দৰে সুমনক বিদায় দিলে।

হঠাৎ বিধিৰ দুৰ্বিপাক ঘটিল। সুমনৰ প্ৰথম সপ্তাহ চাকৰিৰ দিন পাৰ হৈছিলহে মাথোন, এনেতে সেই ঠাইত গোষ্ঠীগত সংঘৰ্ষৰ জুই জ্বলি উঠিল। সুমনৰ মাক-দেউতাকে সুমনৰ খবৰ ললে, সুমনে মাক-দেউতাকক সেই চিন্তাৰপৰা বিৰত ৰাখিবলৈ সেই সংঘৰ্ষৰ কথা জনোৱা নাছিল। ইফালে সুমনৰ পিতৃক কেন্সাৰ ব্যাধিয়ে ৰুগীয়া কৰিলে। এতিয়া কেৱল সুমনৰ মাকৰ সামান্য আৰ্জন চাৰিজনীয়া পৰিয়ালটো পুহপাল দিয়াত যথেষ্ট অসুবিধা হৈছে। আকৌ দৰবৰ বাবে ধাৰ কৰা পইচা পুতেকৰ দৰমহাৰ আশাত গাঁৱৰ মহাজনৰপৰা লৈছিল। কেইদিনমান সুমনৰ সৰু ভনীয়েকৰ ডায়েৰীয়াৰ বাবে মাকে কামলৈ নোযোৱাত সুমনৰ পৰিয়াললৈ দুৰ্যোগ নামি আহিছিল। সুমনৰ মাক-দেউতাক আৰু ভনীয়েক দুজনীয়ে কেইবাদিনো নোখোৱাকৈয়ে পাৰ কৰিছে। কিন্তু মাহৰ শেষ দেখি ককায়েক অহাৰ আশাত তেওঁলোকে সান্ত্বনা লভি আছিল। সুমন কিন্তু মাহৰ শেষত দৰমহা লৈ অহাৰ পৰিবৰ্তে এখন গাড়ীত বগা কাপোৰৰ তলত চিৰকালৰ বাবে শুই আহিল আৰু শুই অহা সুমনক দেখি সুমনৰ মাক আৰু ভনীয়েক দুজনীয়ে সেই বগা কাপোৰখনৰ ওচৰত বৈ হেঁপাহ পলুৱাই কান্দিছে। নৰীয়া গাৰে বিচনাত পৰি থকা সুমনৰ দেউতাকে বিচনাত দুটোপাল চকুলো পেলালে। হয়তো সেই দুটোপাল চকুলো দেউতাকে ভগৱানৰ ওচৰত পাইয়ো হেৰুৱা বেদনাৰ আৰ্শিস নিৰ্মালি। ❏❏❏

# ৰহস্য

প্ৰিয়ংকা বৰুৱা

*স্নাতক প্ৰথম ষাণ্মাসিক*

চিপচিপীয়া বৰষুণজাক ক্ৰমান্বয়ে বাঢ়ি আহিবলৈ ধৰিলে। বৰষুণৰ টোপালবোৰ ডাঙৰ ডাঙৰ কৈ পৰিবলৈ ধৰিলে। তাৰ লগে লগে ফিৰফিৰীয়া বতাহ এছাটিয়েও ফেৰ মাৰিব ধৰিছিল। বৰঞ্চ বতাহত স্থিৰে থাকিবলৈ তাইৰ লাহি দেহাটো নিয়ন্ত্ৰণ কৰিবলৈ হিয়াই তীব্ৰ জোৰ প্ৰয়োগ কৰিবলগীয়াহে হৈছিল। অতি সংযতভাৱে দিব লগা হৈছিল প্ৰতিটো খোজ। যিমানে খোজৰ গতি বঢ়াব খুজিছিল সিমানেই যেন তাই হাৰ মানিবলৈ বাধ্য হৈছিল প্ৰকৃতিৰ অতিশয্যৰ ওচৰত। বৰষুণত জুৰুলি-জুপুৰি হৈছিল তাইৰ মসৃণ সৰ্বশৰীৰ। বগা পাতল শাৰীখন দেহৰ ভাজে ভাজে খাপ খাই জিলিকি পৰিছে তাইৰ সৰ্বশৰীৰ। ঘড়ীত চাৰি বাজিছিল তেতিয়া। তাৰ লগে লগে যেন মনৰ অস্থিৰতাও দুগুণে বাঢ়িব ধৰিছিল তাইৰ, কিয়নো সময়তকৈ এক ছেকেণ্ড পলম হোৱা মানেই ৰক্তিমৰ লগত মতানৈক্য হোৱা।

অ' তুমি আহিলা ৰক্তিম। ৰক্তিমে হিয়াৰ মাত শুনাৰ লগে লগেই দৌৰি হিয়াৰ

ওচৰলৈ আহিল আৰু হিয়াক আলফুলে দুবাহুত সুমুৱাই ল'লে। হিয়াইও কেঁচুৱাৰ দৰে ৰক্তিমৰ দুবাহুত মূৰটো গুজি দিলে। প্ৰেম ভালপোৱা কেৱল হৃদয়ৰ ৰোজগাৰ পূৰণত সীমাবদ্ধ থকা নাছিল। ক্ৰমান্বয়ে ধাবিত হৈছিল শাৰীৰিক মিলনৰ ফালেও। হয়তো এয়াও হিয়া আৰু ৰক্তিমৰ প্ৰতি থকা গভীৰ বিশ্বাসৰ ওপৰত ভৰসা কৰিয়ে সম্ভৱ হৈছিল।

"তুমি কথাটো নুবুজা কিয়? মইতো ফাইনেল পৰীক্ষাটো দি ল'ব লাগে। হিয়াই ৰক্তিমৰ মুখলৈ চাই ক'লে — বি.এ পাছ কৰিনো কি কৰিবা? চাকৰি কৰি তুমি মোক খুৱাব নালাগে, মুঠতে তুমি বিয়াত বহিব লাগিব। আমাৰ ঘৰত তোমাৰ বৰ প্ৰয়োজন। আৰু মোৰ ওপৰতনো তোমাৰ ভৰসা নাইনে যে মই তোমাক খোৱাব নোৱাৰিম। হিয়া তুমি ঘৰত কবা অহা মাহতে বিয়াৰ দিন ....।

হিয়াৰ বয়স যদিও একুৰি এবছৰ হ'ল অথচ ঘৰখনৰ একমাত্ৰ ছোৱালী বাবে মনটো আলসুৱা আৰু চিন্তা লেহুকা। তাইৰ ওপৰত এটা ককায়েক। ঘৰুৱা অৱস্থা জয় জয় ময় ময়। বাপেক কলেজৰ লেকচাৰৰ আৰু মাক শিক্ষয়িত্ৰী। গতিকে ক'বলৈ গ'লে তাইক আলাসৰ লাড়ু কৰি থৈছে। তাই কোনো সিদ্ধান্ত ল'ব নোৱাৰে আনফালে ৰক্তিমৰ কথা পেলাব নোৱাৰে, তাইৰ একমাত্ৰ বান্ধৱী প্ৰায় সমবয়সীয়া নবৌৱেকজনী। হিয়াই নবৌৱেকক সকলো কথাই ব্যাখ্যা কৰিছিল। নবৌৱেক ৰিতুপৰ্ণাই সমস্যাটোৰ কথাত একো সিদ্ধান্ত দিব পৰা নাছিল। হিয়াই নবৌৱেকক ঘৰত কথাবোৰ জনাবলৈ কুটুৰিবলৈ ধৰিলে। বৌৱেক ৰিতুপৰ্ণাই নন্দেকৰ কথা পেলাব নোৱাৰি পুৱাৰে পৰা প্ৰস্তাৱনাৰ সম্পৰ্কে নানান কল্পনা, পৰিকল্পনা, আঁচনি আখৰা কৰি পৰিয়ালৰ সকলো সদস্য উপস্থিত থকাত হিয়া আৰু ৰক্তিমৰ গভীৰ প্ৰেমৰ বৃত্তান্ত আৰু ৰক্তিমে দিয়া বিয়াৰ প্ৰস্তাৱৰ কথা উলিয়ালে। বিয়া ... বিয়া... ৰক্তিমৰ লগত। বিয়াৰ নাম শুনিয়েই ঘৰত যেন ডাঙৰ ধুমুহা আহিল। হিয়াক লৈ দেখা মাক দেউতাকৰ সপোন বাস্তৱ নহ'ব নেকি? মাক-দেউতাক ব্যতিব্যস্ত হৈ উঠিল। ৰক্তিমৰ নাম শুনি মাক-দেউতাকৰ মূৰত যেন ব্ৰজপাত হে পৰিল। ৰক্তিম সেই বদমাছটো, বাটে বাটে নিচাযুক্ত দ্ৰব্য সেৱন কৰা ধুন্দৰ, বদমাছ, ঠগৰামি টো....।

এনেদৰে বহুকেইদিন হিয়াৰ ঘৰত হৈ-চৈ লাগিল। প্ৰেমত হিয়া অন্ধ হৈ পৰিল। পৰিয়ালৰ লোকৰ অজ্ঞাতে হিয়াই ৰক্তিমক লগ ধৰেগৈ। এনেকৈ এদিন হিয়া আৰু ৰক্তিমৰ প্ৰেমে ধাবিত হৈছিল শাৰীৰিক মিলনৰ ফালে। হিয়া অন্তঃসত্বা হ'ল, এই কথা হিয়াৰ ঘৰৰ সকলোৱে গম পালে আৰু অৱশেষত ৰক্তিমে হিয়াৰ গৰ্ভত থকা সন্তানটোৰ পিতৃ বুলি স্বীকাৰ কৰিলে। অৱশেষত দুয়োৰে বিয়াৰ দিনবাৰ ধাৰ্য হয়। বিয়াৰ দুদিনৰ আগত হিয়ালৈ এখন চিঠি আহিল। চিঠিখন ৰক্তিমৰ আছিল। চিঠিখনত লিখা আছিল, বহুদিনৰ আগতে এটা প্ৰতিশোধ ল'বলৈ তোমাৰ লগত অসৎ প্ৰেম কৰিলোঁ হিয়া। তোমাৰ দেউতাৰাই মোক নিচাযুক্ত দ্ৰব্য সেৱন কৰা বাবে কলেজৰ পৰা উলিয়াই দিছিল তাৰ প্ৰতিশোধ ল'লো। মই তোমাক কোনো দিনেই ভাল পোৱা নাছিলো হিয়া। মই মোৰ স্বাৰ্থ সিদ্ধি কৰিলোঁ হিয়া। তোমাৰ দেউতাৰ মান-সন্মান সকলো শেষ কৰিলোঁ। হিয়াই চিঠিখন পঢ়ি নিজকে ক্ষমা



কৰিব নোৱাৰিলে। তাই নিজকে ঘিণ কৰিছে। তাই এতিয়া সমাজৰ অৱহেলা আৰু হাঁহিয়াতৰ পাত্ৰ। নিজে কৰা পাপৰ বোজা কোনে ল'ব। পৃথিৱীলৈ আহিব লগীয়া সন্তানটোৰ দুদৰ্শা কি হ'ব? পিতৃৰ স্বীকৃতি কোনে দিব? তাইৰ বুকুৰ ভিতৰত একুৰা জুই জ্বলিবলৈ ধৰিলে। তাইৰ মনৰ উদ্বিগ্নতা খিনিও বাঢ়ি আহিব ধৰিছিল ক্ৰমান্বয়ে, হয়তো এই মুহূৰ্ততে তাইৰ সপোনবোৰ চাৰখাৰ হ'ব। তাইৰ সৰ্বস্ব শৰীৰ কঁপিবলৈ ধৰিলে। তাই গোটেই পৃথিৱীখন চাৰিওফালে আন্ধাৰ দেখিবলৈ পালে, চাৰিওফালে কেৱল শূন্য আৰু শূন্য। হিয়াই এটি বিষাক্ত দৰৱ সেৱন কৰিম বুলি হাতত ল'লে। কিন্তু লগে লগেই তাইৰ চকুৰ আগত গৰ্ভস্থ সন্তানটোৰ মুখখন ভাহি আহিল। মাতৃত্বৰ মমতাই হিয়াক তেনে কৰিবলৈ বাধা দিলে। দুখক জয় কৰি তাই সন্তানটিক মানুহ কৰাৰ সংকল্প ল'লে। তাই যেন দুৰ্গা গোসানীৰ ৰূপ লৈ দুস্কৃতি নাশিবলৈ ত্ৰিশূলপাত তুলি দিলে সন্তানটিৰ হাতত। □□□

# সুখৰ চকুলো

বন্দনা গগৈ

*স্নাতক প্ৰথম ষাণ্মাসিক*

মেঘালী —ঃ ক, খ, গ, ঘ, ঙ, চ, ছ, জ, ঝ, ঞ

আকাশ —ঃ কি পঢ়ি আছনো মেঘা? আজি লুডু নেখে'ল নেকি?

মেঘালী —ঃ ঐ বেঙা, লুডু খেলাৰ কথা কৈছ যে, কালি যে ছাৰে ক্লাছত পৰীক্ষা এটা ল'ম বুলি কৈছিল পাহৰিলি নেকি?

আকাশ —ঃ অ, হয় নেকি? মই দেখোন একদম পাহৰি থাকিলোঁ।

মেঘালী —ঃ হ'ব দে, তই পাহৰিয়েই থাক। যেতিয়া তই ফেল মাৰিবি আৰু মই তোক এৰি থৈ বাহিৰত পঢ়িবলৈ যামগৈ, তেতিয়াহে গম পাবি।

আকাশ —ঃ এ, মই যাবলৈ দিলেহে তই মোক এৰি যাব পাৰিবি। ক্লাছত পাছ কৰি যোৱাটো দূৰৈৰ কথা, মই তোক মোক এৰি থৈ ক'লৈকো যাবলৈ নিদো কৈ থ'লো কিন্তু।

এনেকৈয়ে পাৰ হৈছিল আকাশ আৰু মেঘালীৰ শৈশৱকাল। দুয়ো-দুয়োৰে অন্তৰংগ বন্ধু। ইজনে-সিজনক এৰি থাকিব নোৱাৰে। কোমলীয়া বয়সৰ ল'ৰা-ধেমালীৰ মাজত ল'ৰালিৰ লগৰী কেতিয়া যৌৱনৰ লগৰী হ'লগৈ সিহঁতে নিজেও গম নাপালে। শৈশৱৰ বন্ধুত্বই এতিয়া অগাধ প্ৰেমৰ ৰূপ ল'লে। দুয়ো-দুয়োকে ভাল পাই পেলালে নিস্বাৰ্থভাৱে। আকাশ আৰু মেঘালী দেউতাহঁতৰ মাজতো আগৰে পৰা বন্ধুত্ব আছিল। সকৰে পৰাই ইহঁতহালৰ মিলা-মিছা দেখি তেওঁলোকেও কথা পাতি "আমাৰ এই বন্ধুত্বই ছাগে মিতিৰালি পতাৰো যো-জা কৰিছে। মাক-বাপেকৰ কথাই সিহঁতহালৰ মন আনন্দেৰে উপচাই দিয়ে। কিন্তু মানুহৰ জীৱনত যিমান সুখ থাকিলেও, দুখে জানো কেতিয়াবা লগ এৰা দিয়ে। আকাশৰ

জীৱনতো ঠিক তেনেকুৱাই হ'ল। তাৰ দেউতাকৰ এটা এক্সিডেন্টত মৃত্যু হ'ল সিহঁতৰ ঘৰখনৰ সকলো হাঁহি-স্ফূৰ্তিকে এজাক ধুমুহাই নিমিষতে ছাৰ-খাৰ কৰি গ'ল। আকাশ তেতিয়া হাইয়াৰ ছেকেণ্ডেৰীৰ দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰ। পঢ়া-শুনাৰ লগতে মাক আৰু ভায়েক-ভনীয়েকহাল আৰু ঘৰখনৰ সকলো দায়িত্বই তাৰ মূৰৰ ওপৰত পৰিল। মেঘালীক লগ দিবৰ বাবে তাৰ আহৰিয়েই নোহোৱা হ'ল। ঘৰখনৰ খৰচৰ বাবে য'ত-ত'ত কিবা কিবি কৰি এৰাধৰাকৈ কলেজলৈ যাব ধৰিলে। এনেকৈয়ে এটা বছৰ পাৰ হৈ গ'ল। হাইয়াৰ ছেকেণ্ডেৰীৰ ৰিজাল্ট ওলাল। আকাশ দ্বিতীয় বিভাগত উত্তীৰ্ণ হ'ল আৰু মেঘালীৰ ষ্টাৰ মাৰ্কসহ সুখ্যাতিৰে উত্তীৰ্ণ হ'ল। মেঘালীয়ে পঢ়িবৰ বাবে বাহিৰলৈ গ'লগৈ আৰু আকাশে গাঁৱৰ কলেজখনতে নাম লগাই টানি-টুনি পঢ়িব ধৰিলে। আকাশহঁতৰ ঘৰৰ আগতকৈ বহু বেয়ালৈ ঢাল খালে আৰু তাকে দেখি মেঘালীৰ দেউতাকে তাক ভালকৈ নমতা হ'ল। এনেকৈয়ে এদিন আকাশে বি.এ পাছ কৰি ঘৰৰ ওচৰতে দুটামান টিউচন কৰি খেতি-বাতি কৰিয়েই ঘৰ চলাব ধৰিলে। মেঘালীয়েও উচ্চ শিক্ষাৰ বাবে বিদেশলৈ যাত্ৰা কৰিলে। মেঘালী এতিয়া বহু দূৰৈত। আকাশে হাত মেলিলেও তাইক ঢুকি নাপায়। মেঘালীৰ দেউতাকে তাইৰ বিয়া ঠিক কৰিছে এজন উচ্চ পদস্থ বিষয়াৰ লগত। আলেঙে-আলেঙে আকাশৰ কাণতো এই কথা আহি পৰিছেহি, কিন্তু তাৰ যে এতিয়া কৰিবলগীয়া একো নাই। সি এতিয়া নিৰুপায়। মেঘালীৰ বিয়া হৈ গ'ল আকাশৰ হিয়া চূৰমাৰ কৰি। কিন্তু মেঘালীক হেৰুৱাতকৈও তাৰ বাবে বেছি বেদনাদায়ক হৈ পৰিল এই কথা যে, মেঘালীয়ে বাৰু তাৰ কথা এবাৰো নাভাবিলেনে? তাই কেনেকৈ পাহৰি গ'ল তাক দিয়া প্ৰতিশ্ৰুতিবোৰৰ কথা। মেঘালীৰ বিয়া হোৱা দুমাহ পাৰ হৈ গ'ল কিন্তু আকাশে মেঘালীক এক মুহূৰ্তও পাহৰিব পৰা নাই মেঘালীৰ চিন্তাত আকাশৰ দিন নাযায়-নুপুৱায়। তাৰ এতিয়াও এনে লাগে যে, মেঘালী আকৌ উভতি আহিব। এনেতে দুৱাৰত কোনোবাই নক্ কৰাত সি কল্পনাৰ জগতখনৰ পৰা সাৰ পাই উঠিল। এইটো সময়ত কোন আহিব পাৰে সি ভাবিলে। ঘৰত তাৰ বাহিৰে আন কোনোৱেই নাই। মাকহঁতেও ওচৰৰে বিয়া এখন খাবলৈ গৈছে। সি গৈ দুৱাৰখন খুলি দিলে আৰু লগে লগেই বিস্ময়ত তাৰ চকু অবাক হৈ পৰিল। আৰে এয়া কি, স্বয়ং মেঘালীয়ে দেখোন তাৰ দুৱাৰ সন্মুখত থিয় হৈ আছে। সি আথে-বেথে মেঘালীক আনি বহুৱালেহি। সি এতিয়াহে ভালকৈ মন কৰিলে যে, মেঘালীয়ে দেখোন শিৰত সেন্দুৰ লোৱা নাই। কথাটো কি? সি সুধো-নুসোধোঁকৈ মেঘালীক তাইৰ খবৰ আৰু তাইৰ স্বামীৰ কথা সুধিলে। তাৰ প্ৰশ্নত মেঘালী উচুপি উঠিল আৰু তাৰপিছত যিখিনি কথা ক'লে সেইখিনি শুনি আকাশ অতিকৈ আচৰিত হ'ল। তাৰমানে মেঘালীৰ ডিৰ্ভোচ হৈ গ'ল বিয়াৰ এমাহৰ পাছতে, কিন্তু কিয়? তেতিয়া মেঘালীয়ে ক'লে যে তাইৰ স্বামী ৰঞ্জন ধনেৰে ধনী আছিল যদিও মনেৰে তেওঁ অতি দুখীয়া আছিল। বিয়াৰ এই এমাহত তেওঁ মেঘালীক এদিন সুখ দিব নোৱাৰিলে। সকলো কথাকে অকল ধনেৰে জুখি চোৱা ৰঞ্জনৰ হৃদয় বুলি কোৱা বস্তু নায়েই আৰু যদি আছেও তেন্তে তাত মৰম, দয়া, স্নেহ আদি শব্দৰ বাবে কোনো স্থান আৰু মূল্যই নাই। সেয়েহে মেঘালীয়ে তেওঁক এৰি থৈ



গুচি আহিল। এই এমাহ ঘৰতে থাকিও নিজৰ এই ব্যভিচাৰৰ বাবে তাই আকাশৰ ওচৰত মুখ উলিয়াব পৰা নাছিল। কেনেকৈ তাই তাৰ ওচৰত ক্ষমা খুজিব তাই ভাবি একো উৱাদিহেই পোৱা নাছিল। কিন্তু তাই আজি আহিছে নিজৰ সমস্ত লাজ-মানক আওকাণ কৰি আকাশৰ ওচৰত ক্ষমা খুজিবলৈ। তাই কৰা প্ৰতাৰণাৰ উচিত শাস্তি বিচাৰি তাই আজি আহিছে। মেঘালীৰ কথাত আকাশ মৰ্মাহত হৈ পৰিল। যিজনী মেঘালীৰ দুখ সি কল্পনাই কৰিব নোৱাৰে তাই আজি দুখত পৰিছে। নাই, নাই সি মেঘালীক আৰু দুখত পৰিব দিব নোৱাৰে। এই দুখৰ সাগৰখনৰ পৰা সি তাইক উদ্ধাৰ কৰিবই সি মনতে ভাবিলে। এনেতে মেঘালীয়ে ক্ষমা বিচাৰি ভৰিত ধৰিব খোজোতেই আকাশে কৈ উঠিল এয়া কি কৰিছা মেঘা, তোমাৰ স্থান সদায় মোৰ হৃদয়ত, মোৰ চৰণত নহয়।

মেঘালী —ঃ নাই আকাশ, তেনে কথা কৈ মোক আৰু লজ্জিত নকৰিবা। তোমাৰ হৃদয়ত স্থান লোৱাটো দূৰৈৰ কথা, মইতো এতিয়া তোমাৰ চৰণত ঠাই পোৱাৰো যোগ্য হৈ থকা নাই।

আকাশ —ঃ সমাজৰ এই মান-সন্মান আৰু লাজ-মানৰ কথা মই নাজানো মেঘা। মই মাথো ইমানেই জানো যে মই তোমাক ভাল পাইছিলোঁ, ভালপাওঁ আৰু সদায় পায়েই থাকিম।

মেঘালী —ঃ কিন্তু আকাশ?

আকাশ —ঃ কোনো কিন্তু নাই মেঘা, তুমি মোৰ জীৱনলৈ উভতি আহা। মেঘালীৰ অবিহনে আকাশ যে সদায় শূন্য এই কথা জানো তুমি নাজানা মেঘা?

মেঘালী মৌন হৈ পৰিল। একো ক'ব নোৱাৰি তাই আকাশৰ দুচকুলৈ থৰ হৈ চাই থাকিল। চকুপানীৰে উপচি পৰিল তাইৰ দুচকু। আকাশৰ চকুত এতিয়াও তাইৰ বাবে ইমান আদৰ, ইমান মৰম। মেঘালীয়ে একো নকলেও আকাশে কিন্তু তাইৰ মৌনতাৰ ভাষা ভালদৰেই বুজি পালে। তাৰ জীৱনলৈ মেঘালী আকৌ উভতি আহিল। আকাশৰ চকুতো পানী বৈ আহিল। এয়া কিন্তু তাৰ মেঘালীক হেৰুৱাওৱাৰ দুখৰ, চকুলো নহয়, এয়া যে তাৰ মেঘালীক পুনৰ ঘূৰাই পোৱাৰ হেঁপাহৰ চকুলো, এয়া তাৰ সুখৰ চকুলো ...। ☐☐☐

## হৃদয়ৰ অনুভৱ

ৰিমঝিম দোলাকাষৰীয়া

*স্নাতক তৃতীয় বৰ্ষ*

পাহৰণিৰ গৰ্ভত বিলীন হৈ যাব নিদিবা
স্মৃতি মধুৰ দিনবোৰ,
যাৰ প্ৰচ্ছায়াত সাৰ পাই উঠিছিল
কল্পনাৰঞ্জিত হৃদয়ৰ দুৱাৰ।
সেই দুৱাৰ বন্ধ কৰাৰ চেষ্টা
নকৰিবা কেতিয়াও,
চিৰসেউজ কৰি ৰাখিবা
প্ৰতিনিয়ত হৃদয়ৰ দৃশ্য।
কল্পনাৰ জোঁৱাৰত
উটি ভাঁহি ফুৰাৰ লগতে
কল্লোলিত হৈ উঠিছিল
এক নতুন জাগৰণ।
কাৰণ .............
আমিও আলোক সন্ধানৰ যাত্ৰী
দুৰ্বল হ'বলৈ নিদিবা
এই প্ৰতীকাত্মক হৃদয়ৰ দুৱাৰ
কেতিয়াও পাহৰিব নিদিবা
এই উন্মেলিত হৃদয়
সঁচা এবুকু প্ৰতিশ্ৰুতিৰে........।

## কুৰুৱা বতাহ

পুষ্পাঞ্জলী গগৈ

*স্নাতক তৃতীয় বৰ্ষ*

সাগৰৰ তীৰত মই ৰৈ আছো
তোমাক লগ পালে
ৰঙীন জীৱনৰ সপোন ৰচিম
তোমাৰ সান্নিধ্যই মোক
উন্মনা কৰি তুলিব।
গছৰ ডালত পৰি থকা চৰাইটিয়েও
তোমাৰ পৰশ পাবলৈ অধীৰ
অপেক্ষাত ৰৈ থাকে
অ' মোৰ কুৰুৱা বতাহ।
মোৰ দৰে সাগৰৰ তীৰত
কোনোবা আছেনেকি ৰৈ
তোমাৰ সান্নিধ্যৰ পৰশ পাবলৈ
অ' মোৰ কুৰুৱা বতাহ।



## পোহৰৰ সন্ধানত

সুস্মিতা বৰুৱা

*স্নাতক তৃতীয় যাণ্মাসিক*

আন্ধাৰৰ ভেঁটা ভাঙি
আনিলা পোহৰ
জ্ঞানৰ পোহৰ.....
জ্বলালা জ্ঞানৰ বন্তি,
উদ্ভাসিত কৰালা
গোটেই অসমখনি।
পোহৰৰ দেশত
আছে বহুত পোহৰ.....
কিন্তু, নাই যেন তাতো
কাৰোৰে সঁচা অন্তৰ।
আজি সকলোতে কেৱল
হিংসা, ঘৃণা, পাপী
নাই ইয়াত কোনো
মনৰ শান্তি
শান্তি বিচাৰি ফুৰিছো ভ্ৰমি,
কিন্তু, পোৱা নাই ক'তো
শান্তিৰ বাতৰি।

## শ্ৰদ্ধাঞ্জলি

নৱস্মৃতা শইকীয়া

*স্নাতক তৃতীয় যাণ্মাসিক*

সৃষ্টিশীল মনৰ এক আশাৰ ৰেঙনি,
হাতত লৈ বগাফুলৰ পাহি
জনাইছোঁ শ্ৰদ্ধাঞ্জলি
তোমাক একাজলী
আজীৱন যেন থাকা তুমি
আমাৰ মাজত
পূৰ্ণিমাৰ জোনটিৰ দৰে জিলিকি
হিৰোদা তোমাৰ মৃত্যুত অশ্ৰুধাৰাৰে
যাচিছো মাথো তোমাৰ
বাবে শ্ৰদ্ধাঞ্জলি।

# ঐতিহ্যৰ চানেকি

জুৰি ভূঞা
*স্নাতক তৃতীয় যাণ্মাসিক*

এটা জাতিৰ পৃষ্ঠাপোষকতাত
অখ্যাত শিল্পীৰ পৰশৰ সৃষ্টি
যুগ-যুগান্তৰৰ স্বাক্ষৰ বহনকাৰী
সভ্যতা সংস্কৃতিৰ জ্বলন্ত সাক্ষী
অসমৰ স্থাপত্য আৰু ভাস্কৰ্যলানি।

ৰংঘৰ, কাৰেংঘৰ, তলাতলঘৰ
শিৱদ'ল, জয়দ'ল আৰু বিষ্ণুদ'ল
কামাখ্যা, উমানন্দ, মহাভৈৰৱে
কাণে কাণে কৈ যায়
ৰূপহী অসমৰ এয়া
নন্দনতাত্বিক ঐশ্বৰ্যৰ
ঐতিহ্যৰ চানেকি।

জাতিৰ ঐতিহ্য আজি কম্পিত
লাহে লাহে যেন
অৱহেলিত আৰু অসুৰক্ষিত
সভ্যতাক জীয়াই ৰাখিব লাগিব আমি
অসমৰ গৌৰৱ আৰু
অসমীয়াৰ জাতীয় অনুভূতি।

# নিৰিবিলি সন্ধিয়া পৰত

পূৰ্ণিমা গগৈ
*স্নাতক প্ৰথম যাণ্মাসিক*

নিৰিবিলি সন্ধিয়া পৰত অকলশৰে মই
বহোঁ নদীৰ পাৰত,
ভাবোঁ মই তোমাৰ কথা
নিজান পৰিৱেশত।
নীল আকাশৰ ওপৰেদি উৰি যোৱা
এহালি নীলা চৰায়ে
মোক কৈ যায় তোমাৰ কথা।
বৈ অহা নদীৰ পানীৰ মাজত
তোমাৰেই প্ৰতিচ্ছবি দেখোঁ।
সকলোতে কেৱল তুমিয়েই তুমি।
মই তোমাৰ কথা যিমান ভাবোঁ
তুমি জানো ভাবা মোৰ কথা
এই নিৰিবিলি সন্ধিয়া পৰত
উৰি উৰি যায় মোৰ মন
নীল আকাশলৈ
নিৰিবিলি পূৰ্ণিমাৰ সন্ধিয়া পৰত
তাকে ভাবি ৰলোঁ পুনৰ আহিবা ঘূৰি
নিৰিবিলি সন্ধিয়া পৰত।



# মোৰ সপোন

কস্তুৰী দত্ত
*স্নাতক প্ৰথম যাণ্মাসিক*

নিৰিবিলি জোনাক ৰাতি
চাৰিওফালে নিস্তব্ধতা,
নিদ্ৰাদেৱীৰ কোলাত
এটি সপোন দেখিলোঁ.....

এখনি অসমীয়া সমাজ
পিন্ধিছে অসমীয়া সাজ
খাইছে অসমীয়াৰ আহাৰ
গাইছে সন্ধিয়াৰ গান
হঠাৎ সাৰ পালো
কিন্তু এয়া কি??
ক'ত অসমীয়া সমাজ?
এনেকুৱা লাগিল যেন
দিঠক হেৰুৱালোঁ
আকৌ চকু দুটি মুদি শুবলৈ ললো
আকৌ এটা সপোন মোৰ কাষ চাপি আহিল।
এইবাৰ দেখিলোঁ এখনি পঢ়াশালি
এক জ্ঞানৰ মন্দিৰ য'ত জ্ঞান লবলৈ
কণ কণ ল'ৰা-ছোৱালীবোৰে উত্ৰাৱল হৈ উঠিছে।
সাগৰৰ মাজত বলা ঢৌৰ দৰে জ্ঞানবোৰ
ভাহি আহিছে।
আকৌ সাৰ পালো
সাৰ পাই এনেকুৱা লাগিল যেন সাগৰৰ ঢৌৰ
মাজেদি গৈ যেন জ্ঞান, শিক্ষা আহৰণ কৰিম।
কিন্তু প্ৰশ্ন হ'ল
সাগৰখন সাতুৰি পাৰ হ'ব জানো পাৰিম??

# আৰ্তনাদ

শ্যামলীমা গগৈ
*স্নাতক তৃতীয় বৰ্ষ*

বেলি ডুবিছে
আকাশ হেঙুলীয়া হৈ পৰিছে
ৰাতিৰ আকাশত
জোনটিয়ে মিচিকিয়াই হাঁহিছে।
উজ্জ্বলি উঠিছে
মোৰ মন আকাশ
হঠাতে জ্বলি উঠিল আকাশ
জুইৰ শিখাৰ ধোঁৱাৰে আকাশ চানি ধৰিছে।
চাৰিও ফালে কেৱল আৰ্তনাদ
হয়তো কৰবাত কাৰোবাৰ প্ৰিয়জন
ঢলি পৰিছে মৃত্যুৰ কোলাত।

# ধাননি

নিতু চাংমাই
*স্নাতক প্ৰথম যাণ্মাসিক*

শাওনৰ পথাৰত
সেউজীয়া বৰণ ধৰি পথাৰখন
ঠন ধৰি উঠে।
তাকে দেখি খেতিয়কৰ
শুকান মুখত
হাঁহি বিৰিঙি পৰে।
কাতি মাহৰ লগে লগে
ধানবোৰে গুটি ধাৰণ কৰে,
আঘোণ অহাৰ লগে লগেই
সোণোৱালী হৈ উপচি পৰে।

## আকাশ

মীৰা বৰুৱা
*স্নাতক তৃতীয় বৰ্ষ*

আকাশ, এটি মিঠা নাম
এটি নিৰব নাম,
যাৰ মাজত থাকে ক'তযে সপোন
আৰু সপোনত বাস্তৱতাৰ আশা।
এই নীলা আকাশৰ নিৰ্মল ছায়াতে
পৃথিৱীয়ে প্ৰাণ পায়,
আকাশৰ স্পৰ্শতে এই পৃথিৱী
শস্য সম্ভৱা হৈ উঠে।
মনোময় পৃথিৱীখন ফলে-ফুলে
জাতিষ্কাৰ হৈ পৰে,
আকাশ, এটি মিঠা নাম
এটি নিৰব নাম,
যাৰ কোনো সীমা নাই
আছে মাথোঁ অলেখ সপোন।
নীলা আকাশৰ সপোনবোৰ কেতিয়া চুৰমাৰ হৈ
ক'লা আকাশলৈ পৰিণত হয় ই গমকে নাপায়।
মই মাথো অপেক্ষাত ৰ'ম পুৱাৰ কিৰণৰ সন্ধিক্ষণলৈ,
আকাশ, এটি মিঠা নাম
এটি নিৰব নাম।

## এৰা বোটলা শব্দ

তপন ওজা
*স্নাতক তৃতীয় বৰ্ষ*

চোৰা, পীতাম্বৰ
শ্যামবৰণ মেঘ উৰে।
সপোন সপোন
চিনাকি পৃথিৱীৰ সিপাৰে
মই কৰো বাস
এই উপত্যকাৰ সৰ্বোচ্চ শিখৰত।
ৰাগ বিৰাগত
মেঘ ঢকা জোন।
ধল-ফটা, ধল পোৱা
দোকমোকালি, কাহিলী পুৱা।
তেজীমলাৰ মাকৰ সাধু
নীলা নৈ
ছোৱালী জাকৈয়া।
ভিন্নসুৰী তথ্য
গল্পৰ আড্ডাত লেখিকাৰ
মুখাগ্নি।
শব্দ কাৰ্টুন।
এজন স্বপ্নদ্ৰষ্টা মানুহ।



## অনুতপ্ত

টুনুমণি ফুকন
*স্নাতক তৃতীয় বৰ্ষ*

সিদিনা হঠাৎ,
এজাক প্ৰচণ্ড
ধুমুহা আহিছিল।

হয়.........
অসময়ত এজাক উদভ্ৰান্ত ধুমুহা,
হাহাকাৰ।
ডালত খামুচি ধৰি থকা
পখীটিয়েও প্ৰাণকাতৰ হৈ উৰিছে
আৰু
বাৰিষাৰ পৰশত গাভৰু হৈ উঠা
সেই কল বাৰী ডৰা যে,
তৎক্ষণাৎ গোটেই পাতবোৰ ফালি চিৰি তাই
ক্ষত বিক্ষত কৰি গুচি গ'ল।

এৰা, অনুতপ্ত!

## তুমি আহিবা বুলি

বৰ্ণালী নেওগ
*স্নাতক প্ৰথম ষাণ্মাসিক*

তুমি আহিবা বুলি
আশাৰে বাট চাই আছোঁ,
বহুতো হিয়াভৰা মৰম আৰু অনুভূতিৰে
কিয় বাৰু তুমি গুচি গ'লাগৈ
বোৰতী নদীৰ দৰে বৈ।
ডেউকা ভঙা পক্ষীৰ দৰে ভাগৰি পৰা নাই আজিও
কেৱল তোমাৰ সঁহাৰি পাবলৈ,
দেশৰ কাৰণে নিজৰ প্ৰাণ ত্যাগ কৰি
গুচি গ'লা বহু দূৰ দিগন্তলৈ।
বহু সপোন পুহি ৰাখিছিলোঁ
হৃদয়ৰ কোমল সঁজাত
হেঁপাহ আছিল মোৰ সাতোৰঙী ৰঙৰ তুলিকাৰে
ৰামধেনু সজাৰ,
সপোনৰ নিবিড় কোলাত বহি।
শেষত, অতি আশাৰে বৈ আছোঁ
তুমি আহিবা বুলি......।

# গুচি গ'লা তুমি

পংকজ পছুচুঙী
*স্নাতক তৃতীয় ষাণ্মাসিক*

কিয় এৰিথৈ আহিলোঁ তোমাক?
তুমিয়েইটো আছিলা মোৰ জীৱনৰ জোনাক।
তুমি এৰিথৈ গ'লা নে তোমাক থৈ আহিলোঁ
মই ইয়াত নাই কেৱল তোমাৰ কাষত।
তুমি গুচি গ'লা,
কোনো কথা নাই
একে একে দুই হোৱাৰ দৰে
সমানুপাতিক নহ'ব পাৰে
তোমাৰ ভালপোৱাৰ অংক।
কিন্তু এক হ'ব লাগিব মৌন ওঁঠৰ ভাষা।
ভিন্সী নহ'লোঁ আঁকিবলৈ.....
তোমাৰ বিশ্বজয়ী হাঁহি.....
তোমাৰ কাজল সনা চকুৰ পাহি।
মই যুঁজাৰু ফিলিপ
তোমাৰ নামত উৎসৰ্গা কৰিছোঁ জীৱন।

# প্ৰিয় বন্ধু

অজয় মুড়া
*স্নাতক প্ৰথম ষাণ্মাসিক*

মোৰ প্ৰিয় বন্ধুৰ এখন চিত্ৰ আঁকিছিলোঁ
কাগজত নহয়, কাৰণ
মইতো চিত্ৰকৰ নাছিলোঁ।
মই আঁকিছিলো হৃদয়ত
কল্পনাৰ চিয়াঁহিৰে
ভাবিছিলোঁ মনত পৰিলেই কেতিয়াবা
হৃদয়তে হেঁপাহ পলোৱাই চাম।
কিন্তু, আশা পুৰণ নহওতেই
সেই চিত্ৰ সিংহই ফালি চুৰ্ মাৰ কৰিলে,
চিত্ৰ হেৰাই গ'ল।
মোৰ হৃদয়ৰ প্ৰতিটো কোণত চিত্ৰ হৈ পৰিল স্মৃতি
আৰু বন্ধু এক মধুৰ স্মৃতি।



# শুকুলা ঘোঁৰাত উঠি

জিতু গগৈ
*স্নাতক তৃতীয় বৰ্ষ*

শুকুলা ঘোঁৰাত উঠি
পৰ্বতৰ দাতিয়েদি যাওঁতেই
দেখিলোঁ ছেৰীফুলৰ সুবাসে
আমোলমোলাইছে,
খিলা খিলাকৈ বৈ অহা
নিজৰাৰ খলকনি দেখি,
হৃদয়ে টুল-বুল কৈ
উঠান মাৰি, বেগাই দৌৰে
আৰু
ৰিমঝিম বাৰিষা বৰষুণৰ দৰে পৰা
সেই জুৰুলা কৰি পেলালে
তথাপি, তেনেকৈ গৈয়ে থাকিলোঁ
অলপ পাছত
ৰিণি-ৰিণিকৈ এজাক মৃদু সমীৰ
মোৰ দেহৰ ভাঁজেৰে পাৰ হ'ল।
এচেৰেঙা ৰ'দে যেন,
কুঁৱলী ফালি মোৰ বাটহে মুকলাইছে
তেনেকৈ গৈ গৈ মই
সিপুৰিত শুনিলোঁ,
মৌসনা মিঠা মাতৰ
হিয়া ভৰা উকি।
মেঘতকৈও ওখ পৰ্বতটিত উঠি,
এজনী দিপলিপ ছোৱালী
গৈয়ে আছে.......।

# আহিন

ৰ'জীৱাণী গগৈ
*স্নাতক তৃতীয় বৰ্ষ*

এই আহিনৰ গধূলি
তোমাৰ পদূলিত,
ফুলি থকা ফুলৰ পাপৰি।
মোৰ উশাহৰ সু-গন্ধিত
কোনে বাৰু ললেহি
যৌৱনৰ জিৰণী।
মোৰ মনৰ বাকৰিত
হৃদয়ৰ বুজনিত,
মোৰ দুচকুত দিলে শিকনি।
কোমল দূবৰিত তলসৰা শেৱালি
এয়া যেন আহিনৰ আৰম্ভণি
মোৰ সেউজী আশাৰ সোণোৱালী
দুবৰিদলি
এক অবুজন আমনি
এই আহিনৰ গধূলি।।

# অসমীয়া বিভাগ অধ্যয়ন আৰু গৱেষণা কেন্দ্ৰ
# সোণাৰি মহাবিদ্যালয়ৰ বিভিন্ন শাখা সমিতিসমূহঃ

**সমূহ শাখা সমিতিৰ উপদেষ্টাঃ**
অধ্যাপিকা ৰীতা দত্ত (বিভাগীয় প্ৰধান)
অধ্যাপক ৰঘুনাথ কাগ্যুং
অধ্যাপিকা পদ্মাকুমাৰী গগৈ
অধ্যাপিকা বিজয়লক্ষ্মী গগৈ
অধ্যাপিকা ৰেখামণি গগৈ

**১। অধিনায়কঃ**
(শ্ৰেণী তত্ত্বাৱধায়ক)
স্নাতক তৃতীয় বৰ্ষঃ দুলু গগৈ
তৃতীয় ষাণ্মাসিকঃ বিদ্যুৎ বিকাশ চেতিয়া
প্ৰথম ষাণ্মাসিকঃ গীতাঞ্জলি বৰা

**২। 'আধাৰ'**
(গৱেষণা, বিদ্যায়তনিক আৰু সৃজনীমূলক পত্ৰিকা)
সম্পাদকঃ ভৱেশ গগৈ
সদস্য/সদস্যা ঃ
দিপাংকৰ গগৈ
সুস্মিতা বৰুৱা
জিতু গগৈ

**৩। 'সাহিত্যম্'**
(প্ৰাচীৰ পত্ৰিকা)
সম্পাদিকাঃ জুৰি ভূঞা
সদস্য/সদস্যা ঃ
উনিবা মহন
ৰিস্পীৰিমা গগৈ
ৰিম্‌ঝিম দোলাকাষৰীয়া

মনোনীত সদস্যঃ স্বৰূপ দে

**৪। 'আজিৰ লেখা'**
(দৈনিক পত্ৰিকা)
সম্পাদিকাঃ পুষ্পা দে
সদস্য/সদস্যা ঃ
কস্তুৰী দত্ত
নৱস্মিতা শইকীয়া
তপন ওজা

**৫। 'বতৰা'**
(সাময়িক বা-বাতৰিৰ পত্ৰিকা)
সম্পাদকঃ পংকজ পচ্চুণ্ডী
সদস্য/সদস্যা ঃ
ধ্ৰুৱজ্যোতি গগৈ
প্ৰিয়াঙ্কী ফুকন
মীৰা বৰুৱা



Sonari College Library * Estd. 1970 *

SONARI COLLEGE LIBRARY
SONARI - 785690, SIVASAGAR
DUE DATE
Book should be returned on or before the due date mentioned below

| DUE DATE | DUE DATE | DUE DATE |
|---|---|---|
| | | |
| | | |
| | | |
| | | |
| | | |
| | | |
| | | |
| | | |
| | | |
| | | |
| | | |
| | | |
| | | |